অধ্যায় ১৪ ঃ হীৰেন গোহাঁই ঃ (সাহিত্যৰ সত্যৰ পৰা) জ্যোতিপ্রসাদৰ *কাৰেঙৰ লিগিৰী*

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য

১৪.২ পৰিচয়

১৪.৩ হীৰেন গোহাঁই ঃ জীৱন আৰু ব্যক্তিত্ব

১৪.৩.১ হীৰেন গোহাঁইৰ সাহিত্য সম্ভাৰ

১৪.৩.২ সাহিত্যৰ সত্য

১৪.৪ মূল পাঠৰ বিষয়বস্তু

১৪.৪.১ সাহিত্য আৰু আদর্শ

১৪.৪.২ *কাৰেঙৰ লিগিৰীত* ৰোমাণ্টিক বিপ্লৱবাদ

১৪.৪.৩ *কাৰেঙৰ লিগিৰীৰ* প্রধান চৰিত্রসমূহ

১৪.৪.৪ *কাৰেঙৰ লিগিৰীৰ* অন্যান্য দিশ

১৪.৫ হীৰেন গোহাঁইৰ গদ্যৰীতি

১৪.৬ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

১৪.৭ অধিক জানিবলৈ

১৪.৮ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১৪.৯ আৰ্হি প্রশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- হীৰেন গোহাঁইৰ জীৱন আৰু সাহিত্য কৃতিৰ বিষয়ে অৱগত হ'ব
- হীৰেন গোহাঁইৰ সমালোচনাৰ প্রকৃতি কেনেধৰণৰ সেই বিষয়ে ধাৰণা লাভ কৰিব
- জ্যোতিপ্রসাদ আগৰৱালাৰ *কাৰেঙৰ লিগিৰী* নাটকৰ বিশ্লেষণ কৰিব পাৰিব
- এই সম্পর্কে হীৰেন গোহাঁইৰ দৃষ্টিভঙ্গীৰ বিষয়ে জানিব পাৰিব
- হীৰেন গোহাঁইৰ গদ্যৰীতিৰ বৈশিষ্ট্যসমূহৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰিব পাৰিব।

১৪.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়াৰ দ্বিতীয় ষাণ্মাসিকৰ দ্বিতীয় পাঠ্যবিষয় 'অসমীয়া গদ্য সাহিত্য'ৰ অন্তর্গত এইটো চতুর্দশ অধ্যায়। 'জ্যোতিপ্রসাদ আগৰৱালাৰ *কাৰেঙৰ লিগিৰী*' প্রবন্ধটো প্রথম ১৯৬৪ চনত *নীলাচলৰ* দ্বিতীয় সংখ্যাত প্রকাশ হৈছিল। পিছত হীৰেন গোহাঁইৰ *সাহিত্যৰ সত্য* গ্রন্থখনৰ অন্তর্ভুক্ত কৰা হৈছে।

১৪.৩ হীৰেন গোহাঁই ঃ জীৱন আৰু ব্যক্তিত্ব

অসমৰ এজন বিশিষ্ট বুদ্ধিজীৱী, সমালোচক হ'ল হীৰেন গোহাঁই। তেওঁৰ জন্ম ১৯৩৯ চনৰ ১৪ এপ্রিলত গোলাঘাটত। তেওঁৰ পিতৃ আছিল সাতঘৰীয়া আহোম বংশৰ মহেন্দ্রনাথ গোহাঁই আৰু মাতৃ শৰৎকুমাৰী গোহাঁই। উজানবজাৰৰ লতাশিল প্রাইমেৰী স্কুল, মাণিকচন্দ্র এম-ই স্কুল আৰু কটন কলেজিয়েট স্কুলত তেওঁ স্কুলীয়া শিক্ষা গ্রহণ কৰে। প্রৱেশিকা পৰীক্ষাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভিতৰত দ্বিতীয় স্থান লৈ উত্তীর্ণ হোৱাৰ পিছত তেওঁ কটন কলেজত কলা শাখাত নাম লগায়। কটন কলেজৰ পৰা আই.এ. পৰীক্ষাত বিশ্ববিদ্যালয়ৰ ভিতৰত তৃতীয় স্থান আৰু ইংৰাজীত সর্বোচ্চ নম্বৰ লাভ কৰি উত্তীর্ণ হয় আৰু কলিকতাৰ প্রেছিডেন্সী কলেজত স্নাতক শ্রেণীত নামভর্তি কৰে। কলেজত পঢ়া সময়তে লাভ কৰা পণ্ডিত অধ্যাপকসকলৰ সান্নিধ্যই তেওঁক জ্ঞান সাধনাৰ বাবে বিশেষভাৱে অনুপ্রাণিত কৰে। কলিকতাত থকা সময়তে তেওঁ 'নতুন প্রতিনিধি'ত লিখিবলৈ লয়। প্রেছিডেন্সী কলেজৰ পৰা ইংৰাজী অনার্ছসহ দ্বিতীয় শ্রেণী লাভ কৰি স্নাতক হয় আৰু সেই কলেজতে স্নাতকোত্তৰ শ্রেণীত নামভর্তি কৰে। কিন্তু তাত তেওঁ শিক্ষা সম্পূর্ণ নকৰি দিল্লীলৈ যায় আৰু ৰামযশ কলেজত ইংৰাজীত স্নাতকোত্তৰ শ্রেণীত নামভর্তি কৰে। দিল্লী বিশ্ববিদ্যালয়ৰ পৰা প্রথম শ্রেণীৰ প্রথম হৈ অভিলেখ স্থাপন কৰি এম.এ. পৰীক্ষাত উত্তীর্ণ হোৱাৰ পিছত তেওঁ দিল্লীৰ কিৰোৰিমল কলেজত তিনি বছৰ শিক্ষকতা কৰে।১৯৬৫ চনত ভাৰত চৰকাৰৰ পৰা কমনৱেল্থ স্কলাৰশ্বিপ লাভ কৰি তেওঁ লণ্ডনৰ কেমব্রিজত গৱেষণাৰ বাবে নাম লগায়। 'মিল্টনৰ পেৰেডাইজ লষ্ট আৰু সপ্তদশ শতিকাৰ সঙ্কট' বিষয়ত গৱেষণা কৰি তেওঁ ডক্টৰেট ডিগ্রী লাভ কৰে। ১৯৬৯ চনত অসমলৈ উভতি অহাৰ পিছত ক্রমে ডিব্রুগড় বিশ্ববিদ্যালয় আৰু গুৱাহাটী বিশ্ববিদ্যালয়ত শিক্ষকতা কৰে।

কিৰোৰিমল কলেজত শিক্ষকতা কৰা সময়তে মার্ক্সবাদৰ প্রতি তেওঁ বেছিকৈ আকর্ষিত হয় আৰু কেইবাখনো বামপন্থী আলোচনীত সাহিত্য বিষয়ক লেখা প্রকাশ হ'বলৈ ধৰে। অসমীয়া নতুন সমালোচনাৰ তেতিয়াই তেওঁ ভেটি বান্ধিবলৈ যত্ন কৰে। কেমব্রিজত থকা সময়তো তেওঁৰ প্রবন্ধ *ৰামধেনু, উত্তৰণ* আদি আলোচনীত প্রকাশ হৈছিল। অসমীয়া সাহিত্যৰ উচ্চ মানসম্পন্ন সমালোচনাৰ উপৰিও অসমৰ সমাজ আৰু সংস্কৃতিৰ ভিন্ন দিশৰ সমালোচনা কৰি তেওঁ এক বৃহৎ জাতীয় দায়িত্ব সম্পাদন কৰি আহিছে। সমালোচক হিচাপে তেওঁ পালন কৰা ভূমিকা তেওঁৰ সমাজ-চেতনাৰ আধাৰত প্রতিষ্ঠিত। *নতুন পৃথিৱী, পদাতিক* আদি আলোচনী তেওঁ সম্পাদনা কৰিছিল। অসমৰ সমাজ জীৱনৰ বিভিন্ন সঙ্কট আৰু গুৰুত্বপূর্ণ সময়, যেনে— অসম আন্দোলন, দেশৰ জৰুৰীকালীন অৱস্থা আদিত তেওঁ সামাজিক দায়বদ্ধতাৰে নিজস্ব শক্তিশালী ভূমিকা পালন কৰিছে।

১৪.৩.১ হীৰেন গোহাঁইৰ সাহিত্য সম্ভাৰ

হীৰেন গোহাঁইৰ সাহিত্য সম্ভাৰ মূলতঃ সমালোচনামূলক। কিন্তু এই সমালোচনা কেৱল সাহিত্যৰ চাৰিসীমাৰ মাজত আৱদ্ধ নহয়। সাহিত্যৰ সমানেই তেওঁৰ বাবে

গুৰুত্বপূর্ণ হ'ল সমাজখন। সেয়েহে অন্যান্য বিষয়ৰ তুলনাত কেৱল সমাজভিত্তিক বিশ্লেষণ বা সমাজ সমালোচনাৰ পুথি তেওঁৰ যথেষ্ট পোৱা যায়। তদুপৰি তেওঁৰ সাহিত্য সমালোচনাতো সমাজ এক গুৰুত্বপূর্ণ সত্তা।

কলিকতাত পঢ়ি থাকোঁতেই তেওঁ প্রথম F. R. Leavisৰ ৰচনা পঢ়িবলৈ লয়। তেতিয়াই লিৰিচৰ *বুদ্ধিদীপ্ত নৈতিক চেতনাই* তেওঁৰ মনত গভীৰ সাঁচ বহুৱায়। সেয়েহে তেওঁৰ প্রথম সময়ৰ লেখাসমূহত লিৰিছৰ চিন্তাৰ প্রভাৱ স্পষ্ট।

অসমীয়া সাহিত্যত তেওঁ নতুন দিগন্ত উন্মোচনকাৰী সমালোচক। সমাসাময়িক ৰাজনীতি, সমাজ, সংস্কৃতিক আঁতৰাই থৈ তেওঁ সাহিত্য সমালোচনা কৰা নাই। তেওঁ কিছুমান সমালোচনাত নতুন সমালোচনাৰ কৌশল প্রয়োগ কৰিছিল। অসমীয়া সাহিত্যত সমালোচনাৰ নতুন ধাৰা 'নতুন সমালোচনা' প্রয়োগত গোহাঁয়েই আগভাগ লৈছিল। গোহাঁইৰ সাহিত্য-সংস্কৃতিৰ আলোচনাত গীয়র্গ লুকাচ্ছৰ প্রভাৱ লক্ষ্য কৰা যায়। তত্ত্বৰ প্রতি তেওঁ শ্রদ্ধাশীল। কিন্তু কোনো তত্ত্বক তেওঁ কেৱল তাত্ত্বিকভাৱে গ্রহণ নকৰে। সমালোচনাসমূহৰ মাজত তেওঁৰ সংবেদনশীল অথচ নিৰাবেগ মনৰ উপস্থিতি পোৱা যায়। কিন্তু কিছুমান সমালোচনা বিশেষকৈ সমাজৰ নিপীড়িত মানুহৰ বিষয়ে লিখোঁতে তেওঁ বহু সময়ত আবেগক ওফৰাব পৰা নাই। সেই মানুহ চামৰ প্রতি থকা গভীৰ সহানুভূতিয়েই ইয়াৰ প্রধান কাৰণ। সমালোচনা সম্পর্কত তেওঁৰ নিজৰ অভিমত হ'ল— "মই কিন্তু সমালোচনাৰ মাজেদি নতুন মূল্যবোধ, নতুন এটা দৃষ্টিভঙ্গী মানুহৰ মাজত দিব বিচাৰোঁ, কেৱল তুলাচনী লৈ পৰীক্ষা কৰি থকা মানুহেই মই হ'ব নিবিচাৰোঁ। সমালোচনাৰ মাজেদি মই এটা নতুন দৃষ্টিভঙ্গী, নতুন এটা জীৱন-দর্শন, নতুন ধৰণৰ চিন্তা প্রৱর্তন কৰিব বিচাৰোঁ।" তেওঁৰ সাহিত্য-সমালোচনা সাহিত্যৰ কেৱল পাঠগত তত্ত্বভিত্তিক সমালোচনা নহয়। মানৱীয় দৃষ্টিকোণ আৰু সমাজ বাস্তৱ দুয়োটাই তেওঁৰ সমালোচনাত বিৰাজমান। তত্ত্ব, মানৱীয় চেতনা, সমাজ চেতনা এই সকলোবোৰৰ আধাৰত প্রতিষ্ঠিত হীৰেন গোহাঁইৰ সমালোচনাই অসমীয়া সাহিত্য সমালোচনাত এটা নতুন বাট প্রতিষ্ঠা কৰিলে।

তেওঁৰ প্রথম সাহিত্য পুথি হ'ল *সাহিত্যৰ সত্য*। *সাহিত্যৰ সত্যৰ* যোগেদিয়ে অসমীয়া সাহিত্যত সমালোচনাৰ এক নতুন ধাৰাৰ সূচনা হ'ল। তেওঁৰ আন এখন সাহিত্য-সমালোচনাৰ সঙ্কলন *সাহিত্য আৰু চেতনাত* লেখকৰ 'সামাজিক চেতনাৰ গভীৰ উপলব্ধি আৰু প্রত্যয় স্পষ্ট'। তেওঁৰ লেখাত মার্ক্সবাদৰ তত্ত্বৰ সমানে ইয়াৰ প্রায়োগিক দিশটোৱেও গুৰুত্ব পাইছে।

বিষয় বৈচিত্র্য হীৰেন গোহাঁইৰ সাহিত্য সমালোচনাৰ এটা গুৰুত্বপূর্ণ দিশ। *বিদেশী সাহিত্য আৰু সাহিত্যিক, বিভিন্ন আধুনিক তত্ত্ব, ভাৰতীয় সাহিত্য, শঙ্কৰদেৱ, কীর্ত্তন পুথিৰ* পৰা আৰম্ভ কৰি লক্ষ্মীনাথ বেজবৰুৱা, জ্যোতিপ্রসাদ আগৰৱালা, নীলমণি ফুকন, অৰুণ শর্মা আদিলৈকে তেওঁৰ সমালোচনাৰ পৰিসৰৰ ভিতৰত পৰিছে।

গোহাঁইৰ অনেক গ্রন্থৰ ভিতৰত জীৱনৰ কীর্তিস্তম্ভ স্বৰূপ গ্রন্থ হ'ল— *সাহিত্যৰ সত্য, বাস্তৱৰ স্বপ্ন, সাহিত্য আৰু চেতনা, কীর্ত্তন পুথিৰ ৰস বিচাৰ, অসমৰ জাতীয় জীৱনত মহাপুৰুষীয়া পৰম্পৰা, ঐতিহ্যৰ ৰূপান্তৰ আৰু অন্যান্য প্রবন্ধ* আৰু তেওঁৰ *আত্মজীৱনী*। ইয়াৰ উপৰিও তেওঁৰ আন গুৰুত্বপূর্ণ পুথিসমূহ হ'ল—

গল্পৰ ৰূপত সজোৱা আত্মজীৱনীমূলক ৰচনা— *লষ্ট লাগিজ*, ব্যঙ্গাত্মক সাহিত্য— *শব্দভেদী*, ভ্রমণ কাহিনী— *মাজুলীৰ জিলিঙনি, আখ্যানৰ আঁৰৰ আমেৰিকা*, সমসাময়িক সমাজ, সাহিত্য, সংস্কৃতি আৰু ৰাজনীতি সম্বন্ধীয় গ্রন্থ— *গণতন্ত্রৰ নৱজীৱন, স্বাধীনতা, আঞ্চলিকতা আৰু অসমৰ ভৱিষ্যৎ, অবিনাশী অসমীয়া, কেৰ্বেৰাছ অথবা নৱকৰ নাৰী, তেজৰ আখৰে লিখা, বিশ্বায়তন, সৃষ্টি আৰু যুক্তি, কেৱল মানুহৰ আছে গান, স্বাধীনতাৰ সপোন আৰু দিঠক, অদৃষ্ট আৰু অসম, নৈৰাজ্য আৰু নির্মাণ, তৰা আৰু বোকা, পট পৰিৱর্তন, ভাৰতৰ স্বাধীনতা সংগ্রামত বিপ্লৱবাদীসকলৰ অৱদান, যোগাযোগ, মানৱতাৰ সন্ধানত* ইত্যাদি।

জ্যোতিপ্রসাদ আগৰৱালাৰ জীৱন আৰু কর্ম সম্পর্কীয় গৱেষণামূলক প্রবন্ধ সঙ্কলন— *ভাৰীকালৰ খনিকৰ*।

ইংৰাজীত লিখা গ্রন্থ— *On the Present Movement in Assam*, *Tradition & Paradise Lost: A Heretical View*, *Assam: A Burning Question*, *The Idea of Popular Culture in the Early Nineteenth Century Bengal*,*The Magic Plant*, *Nature and Art in Shakespeare* ইত্যাদি।

সম্পাদিত গ্রন্থ— *সৈনিক শিল্পী বিষ্ণুৰাভা, মহিম বৰা গল্প সমগ্র, সাগৰতলিৰ শঙ্খ, অন্তৰ আৰু অন্তৰীক্ষ, অসম আন্দোলন ঃ প্রতিশ্রুতি আৰু ফলশ্রুতি, জ্যোতিপ্রসাদ ৰচনাৱলী* ইত্যাদি।

বিশিষ্ট সমালোচক প্রভাত বৰাই গোঁহায়ে সম্পাদনা কৰা নীলমণি ফুকনৰ কবিতাৰ নির্বাচিত সঙ্কলন *সাগৰতলিৰ শঙ্খৰ* পাতনিখন 'অসমীয়া কবিতাপুথিৰ শ্রেষ্ঠতম পাতনি' আখ্যা দিছে। তেওঁৰ চিন্তাত সাহিত্য-সংস্কৃতিৰ লগতে সমাজ বাস্তৱে সমানে গুৰুত্ব পোৱা দেখা গৈছে। প্রচুৰ অনুসন্ধিৎসা, মেধা, অধ্যয়ন আৰু জীৱন জিজ্ঞাসা —এইকেইটাই তেওঁৰ লিখাসমূহক বিশেষ মানদণ্ড প্রদান কৰিছে।

তেওঁৰ *ট্রেডিশ্যান এণ্ড পেৰেডাইজ লষ্ট*নামৰ ইংৰাজীত লিখা গ্রন্থখনে লণ্ডনৰ পত্রিকাতো প্রশংসা লাভ কৰিছিল। সম্পূর্ণ সমাজতাত্বিক দৃষ্টিভঙ্গীৰে শঙ্কৰদেৱক বিশ্লেষণ কৰি তেওঁক সমাজ সংস্কাৰক হিচাপে দেখুৱাব বিচৰা *অসমীয়া জাতীয় জীৱনত মহাপুৰুষীয়া পৰম্পৰা* নামৰ গ্রন্থখনৰ বাবে তেওঁ সাহিত্য অকাডেমী বঁটা ১৯৮৯ চনত লাভ কৰে।

হীৰেন গোহাঁইৰ *আত্মজীৱনী*ও অসমীয়া সাহিত্যৰ এক মূল্যবান সম্পদ। ইয়াৰ চাৰিটা খণ্ড প্রকাশিত হৈছে। প্রথম খণ্ড— *বতাহত ক'ৰ গধূলিগোপাল*, দ্বিতীয় খণ্ড—

হেঙুল আকাশ, ক'লা চাইকেল, এজন আৰোহী, তৃতীয় খণ্ড— *সপোনৰ দিক্‌চৌ বনত*, চতুর্থ খণ্ড— *ইমান তিতা সাগৰৰ পানী*। *আত্মজীৱনী*ৰ প্রথম খণ্ড *বতাহত ক'ৰ গধূলিগোপাল* পুথিখনক তেওঁ 'আত্মজীৱনীমূলক স্মৃতিচাৰণ' বুলি উল্লেখ কৰিছে। একান্ত ব্যক্তিগত অনুভৱ-অভিজ্ঞতাক তেওঁ নিজৰ সৃষ্টিশীলতাৰে পুথিখনত সমূহীয়া অভিজ্ঞতাৰ ৰূপ দিবলৈ সক্ষম হৈছে। তেওঁ নিজেও গ্রন্থখন সম্পর্কত কৈছে যে— "সমাজ সংস্কৃতিৰ পৰিৱর্তনৰ সাক্ষী হিচাপেও মই আত্মকথা লিখিছোঁ।"

১৪.৩.২ *সাহিত্যৰ সত্য*

সাহিত্যৰ সত্য হীৰেন গোহাঁইৰ প্রথম গ্রন্থ। পণ্ডিতসকলে এই গ্রন্থখনক 'নতুন সমালোচনা ৰীতিৰ বার্তাবাহী প্রবন্ধৰ সঙ্কলন' বুলি অভিহিত কৰিছে। এইখন গ্রন্থৰ যোগেদিয়েই অসমীয়া সাহিত্যলৈ সাহিত্য বিশ্লেষণৰ কেতবোৰ নতুন পদ্ধতি আৰু কৌশলৰ প্রৱেশ ঘটিল। 'আধুনিক ইঙ্গ-মার্কিন' সমালোচনাৰ মূল ধাৰণা (Concept) আৰু পদ্ধতিসমূহ (Method) তেওঁ ইয়াত প্রয়োগ কৰিছিল। তেওঁ নিজেই কৈছিল যে "সাহিত্যৰ ভাষাগত বা উপাদানগত বিশ্লেষণ সমালোচনাৰ এটা দিশহে, পূর্ণ সমালোচনা নহয়। ইয়াৰ সৈতে জীৱন জিজ্ঞাসা যুক্ত হৈ থাকিলেহে সমালোচকৰ প্রকৃত দায়িত্ব সম্পূর্ণ হয়।" ১৯৭০ চনত গুৱাহাটীৰ বৰুৱা এজেন্সিয়ে কিতাপখন প্রকাশ কৰিছিল। পুথিখনত ২২টা প্রবন্ধ আছে। *আধুনিকতাৰ সংজ্ঞা, অতীত আৰু অত্যাধুনিক, শ্বেইক্সপীয়েৰ আৰু আধ্যাত্মবাদ, কাফ্‌কা আৰু অবিশ্বাসৰ শাস্তি, অসমীয়া গল্প-উপন্যাস আৰু অসমীয়া সমাজৰ বুৰঞ্জী, বেজবৰুৱা আৰু নতুন জীৱনাদর্শ, নীলমণি ফুকন, নৰকান্ত বৰুৱাৰ 'সম্রাট'* আদি প্রবন্ধসমূহৰ শিৰোনামেই গ্রন্থখনৰ বিষয়বৈচিত্র্যৰ আভাস দিয়ে। বিভিন্ন তত্ত্ব, বিদেশী সাহিত্য আৰু সাহিত্যিকৰ পৰা ধৰি অসমৰ সমাজ আৰু গল্প-উপন্যাস-কবিতা আদি বিভিন্ন ৰূপৰ সাহিত্যকে তেওঁৰ অধ্যয়নে সামৰি লৈছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ হীৰেন গোহাঁইৰ সাহিত্য সমালোচনাৰ বিষয়ে এটা আলোচনা যুগুত কৰক। (১৫০টা শব্দৰ ভিতৰত)

১৪.৪ মূল পাঠৰ বিষয়বস্তু

হীৰেন গোহাঁইৰ 'জ্যোতিপ্রসাদৰ *কাৰেঙৰ লিগিৰী*' এটা সমালোচনামূলক প্রবন্ধ। জ্যোতিপ্রসাদ আগৰৱালাৰ নাটক *কাৰেঙৰ লিগিৰী*য়ে হ'ল প্রবন্ধটোৰ আলোচনাৰ কেন্দ্রীয় বিষয়। সম্পূর্ণ বস্তুনিষ্ঠ এই বিশ্লেষণত তেওঁ আদর্শবাদ, ৰোমাণ্টিক বিপ্লৱবাদ আদিৰ প্রকাশ নাটকখনত কেনেদৰে হৈছে সেয়া আলোচনা কৰিছে। এই আলোচনা আগবঢ়াওতে প্রবন্ধটোত

নাটকৰ পটভূমি, চৰিত্রসমূহৰ গতি-প্রকৃতি, নাটকৰ ভাষা আৰু অন্যান্য বৈশিষ্ট্যসমূহৰ বিশ্লেষণো অন্তর্ভুক্ত হৈছে।

১৪.৪.১ সাহিত্য আৰু আদর্শ

অসমীয়া সমাজ আৰু সাহিত্যিক প্রগতিবাদে এনেদৰে টোৰাই আছে যে তাৰ মাজত সৎ সাহিত্যনো আচলতে কি সেয়াই অস্পষ্ট হৈ পৰিছে। কিন্তু সাম্যবাদৰ আধাৰত গঢ় লোৱা সাহিত্যইহে যে আচল সাহিত্য সেয়া নহয়। ছোভিয়েট ৰাছিয়াত যিসমূহ সাম্যবাদী সাহিত্য সৃষ্টি হ'ল পৰৱর্তী সময়ত সেই সাহিত্যসমূহে প্রাসঙ্গিকতা হেৰুৱাইছে। সৎ সাহিত্য হ'বলৈ সি যে প্রগতিবাদৰ প্রভাৱযুক্ত হ'বই লাগিব সেই কথা নহয়। মানৱ মনৰ সূক্ষ্ম পর্যবেক্ষণ আৰু প্রকাশ অবিহনে সাহিত্যই দীর্ঘস্থায়ী মূল্য লাভ কৰিব নোৱাৰে। ব্যক্তিগত আবেগ-অনুৰাগৰ বশৱর্তী হৈ কোনোবাই যদি কেৱল প্রগতিবাদৰ প্রচাৰকে লক্ষ্য কৰি লৈ সাহিত্য ৰচনা কৰে তেন্তে সেয়া নির্বাচনৰ হাতিয়াৰহে হ'ব, প্রকৃত সাহিত্য নহ'ব। কাৰণ সাহিত্য হ'ল সৃজনশীল কলা। ইয়াত মানৱ মনৰ স্বাধীন প্রকাশ প্রয়োজন। সামাজিক পটভূমি-পৰিৱেশ আদিৰ পৰিৱর্তনসমূহক স্বীকাৰ কৰি লৈয়ো সাহিত্যই স্বতন্ত্র স্বাধীন ভাব ৰক্ষা কৰি সময়ৰ ক্রমগতিত আগবাঢ়ে। ডষ্টয়েভস্কিৰ সাহিত্যত যান্ত্রিক সমাজৰ ভূত-ভৱিষ্যতৰ কথা থাকিলেও মানৱ মনৰ সূক্ষ্ম অন্বেষণ, ব্যক্তিহৃদয়ৰ স্বাধীন প্রবৃত্তিবোৰ তাত স্পষ্ট। ডষ্টয়েভস্কিৰ সাহিত্যত মূর্ত হৈ উঠা এনেবোৰ অন্তর্দৃষ্টিৰ যথার্থ উত্তৰ সাম্যবাদী শাস্ত্রত নাই। সেইবাবেই আধুনিক ৰাছিয়াই তেওঁৰ প্রতি এক উদাসীন শীতল মনোভাব গ্রহণ কৰে। ডষ্টয়েভস্কিৰ প্রতি পোষণ কৰা ৰাছিয়াৰ এনে বিৰাগ বিতৃষ্ণাৰ মনোভাব অধ্যাপক গোহাঁইৰ দেশখনৰ প্রতি অসন্তুষ্টিৰ এক কাৰণ।

বহু মানুহৰ মনত সাম্যবাদ, প্রগতিবাদ আদি আদর্শসমূহ মূলতঃ ব্যক্তিগত ঈর্ষা, অপমান আৰু নিজৰ হীনমন্যতাৰ ভেটিত গঢ় লোৱা দেখা যায়। তেনে মানুহে সাম্যবাদৰ গাত ভেজা দি সকলো ব্যক্তিগত দুখ-দুর্দশাৰ পৰা মুক্তি ল'ব বিচাৰে। কিন্তু ক্ষমতা বা অর্থনৈতিক নিৰাপত্তা পোৱাৰ লগে লগে সাম্যবাদো তেওঁলোকৰ মনৰ পৰা অন্তর্ধান হয়। মানুহৰ আবেগৰ সুযোগ লৈ বর্তমান এক ধৰণৰ ৰাগিয়াল প্রগতিবাদী সাহিত্য সৃষ্টি হৈছে। কিন্তু এনে সাহিত্যই পাঠকৰ মন, বুদ্ধি, চিন্তাৰ উৎকর্ষ সাধিব নোৱাৰে ।এনে সাহিত্যৰ অনুৰাগী পাঠকসমাজে ভাবে যে সেই কিতাপৰ চৰিত্রসমূহ সম্পূর্ণ ৰূপে ভ্রষ্ট শোষকৰ প্রতিভূ আৰু তেওঁলোকে কঠোৰ শাস্তি পোৱাৰ যোগ্য। তেওঁৰ দৰে পাঠক সমাজহে আচল মানুহ। গতিকে সেইসকলৰে মাজৰ কোনোবাই শাসনৰ দায়িত্ব ল'ব পাৰিলেই দেশৰ সকলো অন্যায়-অশান্তি দূৰ হৈ জয়জয় ময়ময় হ'ব। তদুপৰি বহু মানুহে এতিয়া সমাজৱাদ, প্রগতিবাদ আদিক নিজৰ সামাজিক প্রতিপত্তি অর্জাৰ অতিকে সুগম বাট হিচাপে গ্রহণ কৰিবলৈ লৈছে। এনেবোৰ মানুহে সঙ্কীর্ণ ব্যক্তিগত উদ্দেশ্যৰে সমাজবাদক ব্যৱহাৰ কৰিবলৈ লোৱাৰ বাবেই সমাজবাদৰ প্রতি সাধাৰণ মানুহে আস্থা

হেৰুৱাইছে। কিন্তু অতীতলৈ চালে দেখা যায় যে তেতিয়া ত্যাগ অবিহনে কোনেও সমাজবাদ অথবা প্রগতিবাদৰ আশ্রয় লোৱা নাছিল। অথবা ব্যক্তিগত লালসা পূৰণৰ বাবে ইয়াক কোনেও ব্যৱহাৰ কৰা নাছিল। ৰবীন্দ্রনাথে প্রগতিবাদৰ প্রেৰণাৰে উদ্বুদ্ধ হৈ সকলো শাৰীৰিক কষ্ট হাঁহিমুখে স্বীকাৰ কৰিছিল।প্রগতিবাদৰ তাত্বিক দ্বন্দসমূহো নির্ভয়ে আপোন কৰি লৈছিল। এনে মুক্ত চিন্তা, মুক্ত মনৰ প্রতিনিধি বুলি ভাবিব পৰা আন এজন মানুহ হ'ল জ্যোতিপ্রসাদ আগৰৱালা। প্রগতিবাদ তেওঁলোকৰ বাবে ব্যক্তিগত অর্থ লাভৰ ৰাস্তা নাছিল, প্রগতিবাদ তেওঁলোকৰ বাবে বুদ্ধি-চিন্তাক গ্রাস কৰি পেলোৱা এটা নিচা বা আবেগ নহয়। জ্যোতিপ্রসাদৰ কর্মশক্তি, মেধা, হৃদয়, আদর্শ সকলো প্রগতিবাদৰ আন্দোলনত নিমগ্ন। কিন্তু সেয়া যান্ত্রিক আৰু সঙ্কীর্ণ লোভ-আকাংক্ষাৰে পৰিচালিত নহয়। আত্মশক্তিত বিশ্বাস ৰাখি সদিচ্ছাৰেহে তেওঁ প্রগতিবাদত নিমগ্ন হৈছিল। বৃটিছৰ আগমনে অসমৰ গ্রামীণ সমাজ ব্যৱস্থাত যি বৃহৎ পৰিৱর্তনৰ সূচনা কৰিছিল জ্যোতিপ্রসাদে সেয়া প্রত্যক্ষ কৰিছিল। প্রথম মহাযুদ্ধলৈকে এই পৰিৱর্তনৰ গতি প্রৱল নাছিল। নতুনকৈ গঢ় লোৱা চহৰসমূহত যি চাম চাকৰিজীৱী মানুহৰ সৃষ্টি হৈছিল সেই সকলৰ লগতে গাঁৱৰ যিসকল মুখিয়াল মানুহ তেওঁলোকৰ সন্তানৰ বৃটিছে অনা নতুন শিক্ষা, নতুন সমাজ আৰু নতুন মানসিকতাৰ সৈতে পৰিচয় হৈছিল। সেয়েহে অতদিনে বাস কৰি অহা ঐতিহ্য আশ্রিত সমাজখনৰ সৈতে নতুন সমাজখনৰ পার্থক্যবোৰ দেখি তেওঁলোকৰ মন দ্বিধাগ্রস্ত হৈছিল। এই সমগ্র পৰিৱর্তন আছিল ঘাইকৈ ব্যক্তিমুখী। আত্মনির্ভৰতা আছিল ইয়াৰ লক্ষ্য। নিজৰ চকুৰ আগতে সমাজৰ পৰিৱর্তন দেখা জ্যোতিপ্রসাদে কিন্তু কেৱল ব্যক্তিগত আদর্শ, ব্যক্তিপ্রেমৰ বন্দনাত নিমগ্ন নহৈ সমাজৰ পুনৰ নির্মাণৰ সপোন দেখিলে। কেৱল সাহিত্যতেই নহয়, বাস্তৱ জীৱনতো জাতীয় জাগৰণৰ বিভিন্ন স্তৰত সক্রিয় অংশ গ্রহণ কৰি তেওঁ নতুন যুগৰ সৃষ্টিত অৰিহনা যোগালে। জ্যোতিপ্রসাদৰ চিন্তাত গঢ় লোৱা এই নতুন ভাবনা, নতুন সমাজ গঢ়াৰ আদর্শতেই তেওঁ ৰচনা কৰিলে *কাৰেঙৰ লিগিৰী*। সমাজলৈ অহা পৰিৱর্তনৰ পুতলা তেওঁ নহ'ল। তাৰ পৰিৱর্তে *কাৰেঙৰ লিগিৰীত* তেওঁ দেখুৱালে পৰিৱর্তনৰ ভৱিষ্যৎ সম্ভাৱনা, বিৰোধ, বিপত্তি আদি।

১৪.৪.২ 'কাৰেঙৰ লিগিৰী'ত ৰোমাণ্টিক বিপ্লৱবাদ

কাৰেঙৰ লিগিৰী এখন সম্পূর্ণ ৰূপে কল্পনাশ্রয়ী প্রতীকধর্মী নাটক। নতুন সমাজ নির্মাণৰ সপোন দেখা জ্যোতিপ্রসাদে এই ক্ষেত্রত যিসমূহ বিপৰীতমুখী শক্তিৰ সংঘাত আহিব বুলি অনুভৱ কৰিছিল সেইসমূহকে নাটকখনত উপস্থাপন কৰিছে। সেইবাবেই তেওঁ নাটকৰ পাতনিতে স্পষ্টকৈ ঘোষণা কৰিছে যে নাটকখনৰ সৈতে বুৰঞ্জীৰ কাহিনীৰ কোনো সম্পর্ক নাই। শ্বেলীৰ *প্রমেথিয়ুছ আনবাউন্ড* অথবা ৰবীন্দ্রনাথৰ *ৰক্তকৰবীৰ* সৈতেহে ইয়াৰ ৰক্ত সম্পর্ক। কিন্তু *কাৰেঙৰ লিগিৰীক* নাট্যকাৰে যি কল্পনাৰ

আধাৰত গঢ় দিছে সেয়া বাস্তৱ নহ'লেও বাস্তৱ সমাজভিত্তিক কল্পনা। ৰক্তকৰবীৰ দৰে সি সম্পূর্ণ সম্ভাৱনাৰ জগতৰ কল্পনা নহয়। কাৰণ যিখন সমাজক পটভূমি কৰি তেওঁ *কাৰেঙৰ লিগিৰীৰ* কাহিনীটো গঢ় দিছে সেই সমাজখনেই হ'ল অসমৰ মানুহৰ পৰিচিত এখন বাস্তৱ সনাতন সমাজ। অসমৰ এক জীৱন্ত বাস্তৱ আহোম ৰাজত্বক চকুৰ আগত ৰাখিয়ে তেওঁ সেই সমাজখন গঢ়ি তুলিছে। সেইবাবেই নাটকখনত সেই ঐতিহাসিক সমাজখনৰ পৰাই বুটলি লোৱা কোঁৱৰ,লিগিৰী, ৰাজমাও বুঢ়াগোহাঁই আদি শব্দৰ লগতে এই ৰজাঘৰীয়া সমাজখনৰ সংস্কাৰ, ৰীতি-নীতি, মানুহৰ মানসিকতা আদি ৰূপায়ন কৰিছে। এইখন জ্যোতিপ্রসাদে কল্পনাৰে সৃষ্টি কৰা সমাজ নহয়। মান-মর্যাদাৰ প্রতি অতিকে সচেতন, ব্যক্তিজীৱনৰ সকলো দিশৰ প্রতি উদাসীন এই সমাজখন তেওঁ বাস্তৱ চেতনাৰে পৰিচালিত হৈ নাটকত তুলি ধৰিছে। কিন্তু তাকে কৰোঁতে ইয়াক লঠঙা বাস্তৱ কৰি নথৈ কল্পচিত্রৰ দৰেহে অঙ্কন কৰিছে। কাৰণ ঐতিহাসিক আখ্যান কোৱাটো তেওঁৰ লক্ষ্য নহয়। *কাৰেঙৰ লিগিৰীত* তেওঁ বাস্তৱ ইতিহাসক প্রয়োগ কৰিলেও কোনো কথাকে ইতিহাসৰ প্রতিবিম্ব কৰিবলৈ যোৱা নাই। সেইবাবেই তাত তেওঁ সন্নিৱেশ কৰিছে সুন্দৰ কোঁৱৰক। সুন্দৰৰ দৰে এনে নাৰীবিমুখ আহোম কোঁৱৰ অতীত অসমততো নায়েই বোধহয় ভৱিষ্যৎ সময়তো নোলাব। *কাৰেঙৰ লিগিৰীত* ৰোমাণ্টিক বিপ্লৱবাদক প্রতিষ্ঠা কৰা মূল ব্যক্তিজনেই হ'ল সুন্দৰ কোঁৱৰ। সম্পূর্ণ ব্যক্তিগত আদর্শৰে পৰিচালিত সুন্দৰে সমাজৰ পৰিৱর্তন বিচাৰে, প্রাচীন ঐতিহ্যাশ্রিত সমাজখন চাৰখাৰ কৰি নতুনকৈ গঢ়িব বিচাৰে।

ৰোমাণ্টিক বিপ্লৱবাদৰ আত্মদ্বন্দ্ব আৰু অন্ধতা কোঁৱৰৰ জীৱন কাহিনীত বিদ্যমান। শেৱালিৰ প্রতি মনৰ গভীৰত আসক্তি থাকিলেও সাধাৰণ লিগিৰী এজনীৰ প্রতি থকা সেই ভাবক মুখ ফুটাই স্বীকাৰ কৰি তেওঁ গৌৰৱবোধ নকৰে। সেইবাবে তেওঁ নিজৰ মন আৰু হৃদয়ৰ আবেগকে অস্বীকাৰ কৰিছে। সমাজৰ প্রাচীন মামৰে ধৰা পৰম্পৰা ভাঙিব বিচৰা কোঁৱৰে বৰঞ্চ শেৱালিৰ তেওঁৰ প্রতি থকা হেঁপাহ আৰু ভালপোৱাক স্পর্ধা আখ্যাহে দিছে। ৰোমাণ্টিক বিপ্লৱীৰ এয়াই ধর্ম। কল্পনাৰে তেওঁ নতুন সমাজ গঢ়াৰ আদর্শত বন্দী। অথচ বাস্তৱ জীৱনত সমাজলৈ পৰিৱর্তন আনিব পৰাকৈ তেওঁ খোজ আগবঢ়াব নোৱাৰে। তেওঁৰ বাবে কাঞ্চন, শেৱালি সকলো নিজৰ আদর্শবাদৰ আহিলা। ৰোমাণ্টিক বিপ্লৱী সুন্দৰে তাত্ত্বিক আদর্শ আৰু বাস্তৱৰ পার্থক্য উপলব্ধি নকৰে। সমাজৰ সৈতে আপোচ কৰি কাঞ্চনক বিয়া পতাৰ পিছত সেয়া ভুল বুলি উপলব্ধি কৰি শুধৰাবলৈ গ'লে তাৰ পৰিণতি কি হ'ব সেয়া তেওঁ ভাবিব পৰা নাই। এবাৰ তেওঁ পত্নী কৰি লোৱা কাঞ্চনক অনঙ্গই যে পুনৰ গ্রহণ নকৰিব পাৰে, কাঞ্চনে যে সেই কার্যত অপমানিত হৈ ভয়ঙ্কৰ সিদ্ধান্তলৈ আগবাঢ়িব পাৰে ৰোমাণ্টিক বিপ্লৱী সুন্দৰে সেই কথা চিন্তা কৰিব নোৱাৰিলে।

ব্যক্তিগত আদর্শবাদৰ বাহিৰে একোকে চিনি নোপোৱা সুন্দৰে শেৱালিকো সমাজৰ ওপৰত প্রতিশোধ লোৱাৰ বাবেহে কুঁৱৰী কৰিব বিচাৰিছে। নিজৰ প্রকৃত

হৃদয়াবেগকো তেওঁ স্বীকাৰ নকৰে আৰু আন কাৰোৰে হৃদয়কো মূল্য নিদিয়ে। কল্পলোকত বিচৰণ কৰি তেওঁ সমাজলৈ পৰিৱর্তন আনিব বিচাৰিছে। "তোমাৰ আজ্ঞা, সমাজৰ আজ্ঞা, মোৰ উপৰিপুৰুষৰ আজ্ঞা, শাস্ত্রৰ বিধান, শাস্ত্রকাৰৰ নিবন্ধ আটাইবোৰৰ বিৰুদ্ধে যাম" বুলি ৰাজমাওৰ আগত ইমান ডাঙৰ পৰিৱর্তনমুখী কথা কোৱা সুন্দৰে তেওঁৰ ব্যক্তিগত জীৱনটোৰ বাহিৰেও সমাজত পৰিৱর্তন কৰিব লগা যে আন অনেক কথা আছে তাক লৈ মূৰ নঘমায়। সমাজৰ বৃহৎ শক্তি এটাক লগত লৈ পৰম্পৰাগত শোষণ, অন্যায় আদি আঁতৰাই নতুন সমাজ গঢ়াৰ কথা তেওঁ ভবা নাই। তেওঁৰ পৰিৱর্তনৰ ধাৰণাটো সম্পূর্ণভাৱে আত্মকেন্দ্রিক ব্যক্তিগত জীৱনতে বন্দী। এয়াই সুন্দৰৰ ৰোমাণ্টিক বিপ্লৱবাদ, ব্যক্তিনিষ্ঠ আদর্শবাদৰ স্বৰূপ।

সকলো উলটি গ'লেও ব্যক্তিগত আদর্শবাদৰ কাৰাগাৰত বন্দী সুন্দৰৰ দৰে ব্যক্তিয়ে নিজ বিন্দুৰ পৰা লৰচৰ নহয়। তেওঁৰ আকোৱগোজ মনোভাবৰ পৰিণতি বা ফলাফল লৈ তেওঁ মূৰ নঘমায়। আনটো বাদেই নিজৰ আদর্শবাদৰ হেঁচাত তেওঁ নিজেই শেষ হ'বলৈয়ো প্রস্তুত। তথাপি আদর্শৰ খুটি নেৰে। "মই বাঘজৰী ধৰা ৰথৰ চকাৰ তলত জাঁপ দি মই নিজেই গুৰি হৈ যাবলৈ ওলাইছোঁ। মোৰ সঙ্কল্প মই এৰিব নোৱাৰোঁ।" —এয়া তাত্ত্বিক আদর্শবাদী সুন্দৰৰ বক্তব্য। কিন্তু তেওঁ নিজে গুৰি হৈয়ো আদর্শ আৰু সঙ্কল্প ৰাখিব বিচৰা পদক্ষেপে যে আন কোনোবা ব্যক্তিকো গুৰি কৰিব পাৰে সেই কথা তেওঁ উপলব্ধি কৰা নাই। কাৰণ সুন্দৰ বাস্তৱ জ্ঞানৰহিত ৰোমাণ্টিক বিপ্লৱী। সকলো চাৰখাৰ নোহোৱালৈকে তেওঁৰ ৰোমাণ্টিক বিপ্লৱবাদ থমকি ৰোৱা নাই। শেৱালিৰ মৃত্যুৰ পিছতহে কঠোৰ আদর্শবাদৰ হাতোৰাৰ পৰা সুন্দৰে মুক্তি পাইছে, অনুতাপ কৰিছে।

*কাৰেঙৰ লিগিৰী*ত ৰোমাণ্টিক বিপ্লৱবাদৰ আন এক প্রতিনিধি হ'ল নগা পাহাৰ। নগা পাহাৰৰ সুন্দৰ কল্পৰূপ এই আদর্শতে ইয়াত সন্নিৱিষ্ট। সমাজৰ মেৰপাকত সোমাই ব্যক্তিগত বিপ্লৱবাদ যেতিয়া দুর্বল হয়, বিপ্লৱৰ ভয়াবহ পৰিণতি আৰু বিপদৰ আশঙ্কাত যেতিয়া কর্ম-প্রেৰণা স্তব্ধ হয়, তেতিয়া সময় আৰু ইতিহাসৰ বাহিৰৰ এখন অকৃত্রিম সমাজত সি আশ্রয় লয়। সৰলভাৱে নাচিবাগি দিন কটোৱা নগা-নাগিনীৰ জীৱনে যেন বাস্তৱ সমাজখনৰ জটিল ব্যৱস্থাক উপহাস কৰে। ৰঙিয়াল নগা ডেকা আৰু ৰুনুক-জুনুক-ঠুনুকহঁত জ্যোতিপ্রসাদৰ ৰোমাণ্টিক কল্পনাৰ প্রতিনিধি। এয়া বাস্তৱ নহয়। এজন ৰজাৰ এটা শক্তিশালী সৈন্যদলক নগাসকলে খাস্তাং কৰাৰ ঘটনাও তেওঁৰ মনোৰম কল্পনাৰ জগততহে সম্ভৱ।

১৪.৪.৩ *কাৰেঙৰ লিগিৰী*ৰ প্রধান চৰিত্রসমূহ

নাট্যকাৰ জ্যোতিপ্রসাদ আগৰৱালাই মনস্তাত্ত্বিক অন্তর্দৃষ্টিৰে *কাৰেঙৰ লিগিৰী*ৰ চৰিত্রসমূহ গঢ়ি তুলিছে। শ্বেইক্সপীয়েৰৰ *হেমলেট*নাটকৰ দৰেই জ্যোতিপ্রসাদেও ইয়াত এই চৰিত্রসমূহৰ মাজত মনস্তাত্ত্বিক বাস্তৱতা সম্পূর্ণভাৱে ৰক্ষা কৰিছে। অর্থাৎ *কাৰেঙৰ*

*লিগিৰী*ৰ চৰিত্র বাস্তৱতা আৰু মনস্তত্ত্বৰ আধাৰত গঢ় লোৱা। সেইবাবেই তেওঁৰ চৰিত্রসমূহৰ মাজেৰে নানা ভাব বা তত্ত্বৰ প্রকাশ ঘটিলেও কোনোটো চৰিত্র তত্ত্বৰ প্রতিৰূপ হ'বলৈ এৰি দিয়া নাই। অসমৰ সমাজত দেখা বিভিন্ন ৰূপৰ, বিভিন্ন মানসিকতাৰ মানুহৰ আধাৰতে তেওঁ নাটকৰ চৰিত্র সমূহক ৰূপায়ণ কৰিছে। সমাজত বিচৰণ কৰা স্থিতিশীল-গতিশীল বিভিন্ন ধৰণৰ চৰিত্র নাটকখনত বিৰাজমান। ৰাজমাও, বপুৰা আদি চৰিত্রসমূহেই ইয়াৰ প্রমাণ।

ৰাজমাও আমাৰ সকলোৰে চিনাকি এগৰাকী মাতৃ। পুতেকৰ বিয়াৰ ক্ষেত্রত তেওঁ যি ভূমিকা গ্রহণ কৰিছে তেনে মাক আমাৰ সমাজত অনেক ওলাব।তেওঁ অসমৰ এখন তথাকথিত অভিজাত শ্রেণীৰ প্রতিনিধি। তেওঁৰ কথা-বতৰা, চাল-চলনে সেয়া প্রকাশ কৰে। কিন্তু তেওঁৰ মানসিকতা আৰু কাম-কাজত সৌন্দর্যৰ অভাৱ। পুতেকক অতিকে ভালপোৱা তেওঁ এগৰাকী পুত্রবৎসল,অভিমানী মাক। অথচ পুতেকৰ মনটোক তেওঁ অনুভৱ কৰিব নোৱাৰে। কাৰেঙৰ লিগিৰীসকলৰ ওপৰত তেওঁৰ কঠোৰ কর্তৃত্ব, কিন্তু বুঢ়াগোহাঁইনীৰ দুখত তেওঁৰ চকুপানী ওলায়। শেৱালি তেওঁৰ বাবে চকুৰ কুটা দাঁতৰ শূল। তেওঁ এটা ৰাজপৰিয়ালৰ মূৰব্বী হ'লেও শাস্ত্রজ্ঞান দুর্বল। সেইবাবেই 'এই পুথি-পাঁজিবোৰেই ইয়াৰ কোমল মতি অবাটে নিলে। এইবোৰে ইয়াৰ মূৰটো ঘোলা কৰিলে' বুলি পুতেকক ভৰ্ৎসনা কৰিছে। ৰাজমাওৰ চৰিত্রই কোনো কৃষ্টিৰ প্রকাশ নঘটায়। কথাই কথাই সমাজৰ দোহাই দিয়া ৰাজমাও এখন স্থিতিশীল সমাজৰ প্রতিনিধি। সময় আৰু সমাজৰ কোনো পৰিৱর্তনকে তেওঁ স্বীকাৰ কৰিব নিবিচাৰে। চৰিত্রটোৰ স্বভাৱ, কাম-কাজ সকলো চাব মৰা। কোনো বৈচিত্র্য নাই ।

বপুৰা এটা বহুৰা চৰিত্র। কিন্তু চৰিত্রটোত বৈচিত্র্য আছে। সময়ে সময়ে তাৰ গতি-প্রকৃতিয়ে ৰূপ সলায়। হাস্যৰস সৃষ্টিৰ কাৰণে নাট্যকাৰে চৰিত্রটোৰ কাম-কাজ, স্বভাৱ-চৰিত্রত বিকৃতি বা অতিৰঞ্জনৰ সংযোগ কৰিছে। বহুৰালি কৰাটো বপুৰাৰ ধর্ম। কিন্তু এই অতিৰঞ্জনবোৰ কৃত্রিম যেন নালাগে। বপুৰাৰ কথাই আনতো বাদেই সুন্দৰকো হুঁহুৰায়। কথাই কথাই বপুৰাই কটাক্ষ কৰে, ভেঙুচালি কৰে। কিন্তু সময় আৰু অৱস্থা ভেদে বপুৰা গহীন। লিগিৰীহঁতৰ ওপৰত বপুৰা ৰজা। সিহঁতৰ কাষত বপুৰাৰ মন কমোৱা তুলাৰ দৰে উৰে। বিয়াৰ পিছত পিছে এজন ঈর্ষাপৰায়ণ স্বামী। সাধাৰণ কথা-বতৰাত বপুৰা অতিকে চঞ্চল, নোমটেঙৰ। প্রবাদ-পটন্তৰেৰে ভৰপূৰ বপুৰাৰ মুখৰ ভাষাই অসমীয়া নিভাজ জতুৱা কথ্য ভাষাৰ প্রতিনিধিত্ব কৰে। গ্রাম্য কথ্য ভাষাৰে প্রেম আৰু নাৰী সম্পর্কে যিসমূহ কথা বপুৰাই কয়া সেয়া নাট্যকাৰৰ সচেতন উদ্দেশ্যভিত্তিক প্রয়োগ। প্রেম বা নাৰী চৰিত্রৰ ৰহস্যৰ কথাবোৰ মানুহে যাতে অপার্থিৱ বুলি ভাবি নলয় সেইবাবেই বপুৰাৰ মুখত সেইসমূহ কথাৰ অন্তর্ভুক্তি। নাৰী বা প্রেমৰ এই কথাবোৰ সাধাৰণ এক বাস্তৱ জীৱনৰ উপাদানহে।এয়া অচিনাকি, অবাস্তৱ জগতৰ ৰহস্য নহয়। বহুৰালি কৰাটো বপুৰাৰ কাম হ'লেও বপুৰা সম্পূর্ণভাৱে এটা তাৎপর্যপূর্ণ চৰিত্র। বিচিত্র ৰঙেৰে গঢ়

লোৱা গতিশীল চৰিত্র। আদর্শবাদৰ ধোৱাই যাতে সুন্দৰ কোঁৱৰৰ চৰিত্রটো ঢাকি নধৰে তাৰ বাবেই বপুৰাৰ সৃষ্টি। বপুৰাৰ সংলাপ আৰু কার্যই তেনে উদ্দেশ্যকে প্রতিফলিত কৰিছে।

কাৰেঙৰ লিগিৰীৰ পটভূমি এখন ৰক্ষণশীল নিয়মনিষ্ঠ সমাজ, যিখন সমাজত ব্যক্তিৰ ব্যক্তিগত আবেগ-অনুভৱক মূল্য দিয়া নহয়। এইখন সমাজে সাধাৰণ মানুহটো বাদেই, সমাজৰ ওপৰ মহলাৰ মানুহৰ প্রেমকো স্বীকৃতি নিদিয়ে। অনঙ্গ আৰু কাঞ্চনমতীৰ প্রেমেই ইয়াৰ উদাহৰণ। এই কঠোৰ নিয়মবদ্ধ সমাজখনে সুন্দৰক অতীষ্ঠ কৰিছে। সেইবাবেই তেওঁ বিদ্রোহী হৈ উঠিছে। সুন্দৰ ৰোমাণ্টিক বিপ্লৱবাদৰ প্রতিনিধি। মামৰে ধৰা শিকলিৰে বান্ধ খাই থকা সমাজখন ভাঙি চাৰখাৰ কৰি তেওঁ নতুন সমাজ গঢ়িব বিচাৰে। সমাজৰ গতি বিধি দেখি কোঁৱৰৰ মন অশান্তি আৰু বেদনাৰে ভৰা। ঐতিহ্যবদ্ধ সমাজখনৰ ওচৰত তেওঁ আত্মসমর্পণ কৰিব নিবিচাৰে। সমাজখনৰ বিৰুদ্ধে বিদ্রোহ কৰিব বিচাৰে, অথচ নতুন জীৱনৰ বাবেও বাট পোৱা নাই। এই দুয়োটাৰ মাজত পৰিয়েই সুন্দৰে অশান্তি আৰু অস্থিৰতাত ককবকাইছে। তেওঁ সমাজৰ নিয়মক মামৰে ধৰা শিকলি বুলি ভাবে অথচ লিগিৰী শেৱালিৰ প্রতি মনৰ গোপনত থকা আসক্তিক স্বীকাৰ কৰিব পৰাকৈ মুক্তও নহয়। লিগিৰীৰ সেই মনোভাৱকো তেওঁ স্পর্ধা আখ্যাহে দিয়ে। অর্থাৎ নিজে ক'ব নোৱাৰাকৈয়ে সুন্দৰ নিজেই সমাজৰ নিয়মৰ মাজত বন্দী। সুন্দৰে অনিচ্ছাৰে সমাজৰ ওচৰত আত্মসমর্পণ কৰি নিজৰ সঙ্কল্পৰ পৰা আঁতৰি আহি বিয়াত বহিল। কিন্তু এই আপোচে তেওঁৰ অশান্তি আৰু বৃদ্ধিহে কৰিলে। যেতিয়া তেওঁ উপলব্ধি কৰিলে যে এই বিয়া দেহ-মনৰ যথার্থ মিলন নহয় তেতিয়াই তেওঁৰ বাবে সকলো অসহনীয় হ'ল, অশান্তি পূর্বতকৈয়ো বাঢ়িল। সেয়ে এই ভণ্ডামিৰ পৰা তেওঁ মুক্তি বিচাৰিছে। ইয়াৰে পৰিণতি হ'ল কাঞ্চনমতীৰ আত্মহত্যা। সুন্দৰে আদর্শবাদী প্রেৰণাত লোৱা সিদ্ধান্তৰ ফল সকলোৱে ভুগিছে। কাৰণ ব্যক্তি এটা নিসঙ্গ সত্তা নহয়, সামাজিক সত্তা। সেয়েহে এজন ব্যক্তিৰ কৃতকর্মৰ ফল সকলোৱে ভোগে।সমাজৰ পুনর্জন্ম দিব বিচৰা সুন্দৰ নিজৰ মন সম্পর্কেই অজ্ঞ। তেওঁৰ ধাৰণা অস্পষ্ট। মানুহক তেওঁ মানুহ হিচাপে নলৈ আদর্শবাদৰ সঁজুলি হিচাপে লৈছে। নিজে কৰা কামৰ পৰিণতি কি হ'ব পাৰে তাৰ ধাৰণা ৰোমাণ্টিক বিপ্লৱী সুন্দৰৰ নাই। বিবাহিতা কাঞ্চনমতীক মুক্তি দিলে তাৰ ফল কি কি হ'ব পাৰে সেই চিন্তা তেওঁ কৰিব পৰা নাই। সুন্দৰৰ আদর্শবাদৰ অন্ধতাই কাঞ্চনমতীক শেষ কৰিলে। আনকি শেৱালিৰ প্রতি আকৃষ্ট হ'লেও তাইক কুঁৱৰী কৰিব বিচাৰিছে সমাজৰ ওপৰত প্রতিশোধ ল'বৰ কাৰণেহে। অর্থাৎ শেৱালিকো তেওঁ আদর্শবাদৰে আহিলা কৰিব বিচাৰিছে। শেৱালিৰ মৃত্যুৱেহে সুন্দৰক এই আত্মাভিমানী, আত্মকেন্দ্রিক আদর্শবাদৰ পৰা প্রথমবাৰলৈ মুক্তি দিলে। হৃদয়ৰ আবেগৰ মূল্য তেওঁ তেতিয়াহে উপলব্ধি কৰিছে। শেৱালিৰ প্রতিদান নিবিচৰা প্রেম আৰু ত্যাগেহে সুন্দৰক হৃদয়ৰ আবেগৰ মূল্য বুজাই থৈ গ'ল। *কাৰেঙৰ লিগিৰীত* সুন্দৰৰ চৰিত্রত স্ববিৰোধো লক্ষ্য কৰা যায়। সুন্দৰ

নাৰীবিদ্বেষী। কিন্তু এই বিদ্বেষৰ কাৰণ শেৱালিৰ প্রতি থকা অস্বীকৃত প্রেম নে আত্মৰতি? এফালে কাৰেঙৰ লিগিৰী এজনীৰ প্রতি হৃদয় আসক্ত হোৱাত সুন্দৰৰ মনে মনে লাজ আৰু গ্লানি হৈছে। আনফালে আকৌ বিয়াৰ পিছতো তেওঁ কৈছে যে তিৰোতা তেওঁৰ বাবে পদুম পাতৰ পানীৰ দৰে। তেওঁৰ জীৱনলৈ আহিলে গ'লেও তেওঁক টিয়াব নোৱাৰে।

সুন্দৰৰ পুৰণি সমাজ ভাঙি নতুনক গঢ়াৰ যি বিপ্লৱাত্মক আদর্শ সেয়া নেতিবাচক, সৃষ্টিধর্মী নহয়। তেওঁ শিক্ষিত, উচ্চমনা। কিন্তু সমাজৰ ঐতিহ্যাশ্রিত কঠোৰ নিয়মত অতীষ্ঠ হৈ যি বিদ্রোহ কৰিছে তাৰ পৰিধি সীমিত। সমাজ পৰিৱর্তনৰ যি আদর্শ তেওঁ ধাৰণ কৰিছে সেয়া সম্পূর্ণ আত্মকেন্দ্রিক। পুৰণি সমাজৰ নিষ্পেষণ, অনীতি, অত্যাচাৰক লৈ তেওঁৰ মূৰ ঘমোৱা নাই বা নিপীড়িতসকলক লগত লৈ সেইসমূহ পৰিৱর্তনৰ চিন্তাও কৰা নাই। নির্দিষ্ট ব্যক্তিগত পৰিসৰৰ পৰা ওপৰলৈ গৈ তেওঁ সমাজলৈ বিপ্লৱ অনাৰ চিন্তা কৰা নাই। সুন্দৰ সম্পূর্ণভাৱে ব্যক্তিমুখী ৰোমাণ্টিক বিপ্লৱী। কিন্তু তথাপি নাট্যকাৰ জ্যোতিপ্রসাদৰ সুন্দৰৰ বিপ্লৱৰ প্রতি আস্থা আৰু শ্রদ্ধা নাটকখনত ফুটি উঠিছে। সুন্দৰৰ প্রতি তেওঁ সহানুভূতিশীল।

সুন্দৰ পুথি-পাঁজি পঢ়ি ভাল পোৱা এজন মেধা ব্যক্তি। কিন্তু তেওঁ হৃদয়হীন। সত্যৰ নামত যিকোনো ধ্বংসলীলা কৰিবলৈ তেওঁৰ অলপো সঙ্কোচ নাই। সত্য আৰু আদর্শক কেৱল তাত্ত্বিকভাৱে খামুচি ধৰিলে আৰু বাস্তৱ জ্ঞান নাথাকিলে তাৰ পৰিণাম কি হ'ব পাৰে সেয়া সুন্দৰে বহু পলমকৈহে বুজিছে। আদর্শৰ তাত্ত্বিক ধাৰণাকে লৈ তেওঁ সমাজলৈ সকলো পৰিৱর্তন আনিব বিচাৰিছে। তেওঁৰ এই তাত্ত্বিক আদর্শবাদৰ পৰিণতি হিচাপে কাঞ্চনে কৰুণ মৃত্যুক সাৱটিলে যদিও তেওঁক সেই মৃত্যুৱে বিচলিত কৰা নাই বা তেওঁৰ মনত সোমাই থকা আদর্শৰ ধাৰণাৰো হীন-দেৰি ঘটা নাই। কিন্তু সকলো প্রতিদান নেওচি শেৱালিয়ে যেতিয়া সুন্দৰৰ হিতৰ বাবেই মৃত্যুবৰণ কৰিলে তেতিয়াই এই আত্মকেন্দ্রিক বিপ্লৱ আৰু তাত্ত্বিক আদর্শবাদৰ ত্রুটি-অপূর্ণতা মুকলিকৈ তেওঁ স্বীকাৰ কৰিবলৈ বাধ্য হ'ল।

কাৰেঙৰ লিগিৰীত পুৰণি সমাজ ভাঙি নতুনকৈ গঢ়াৰ আদর্শকে খামুচি সুন্দৰ আগবাঢ়িছে যদিও সেই কাৰাগাৰতুল্য প্রাচীন সমাজৰ হকেও সাৰগর্ভ কথা প্রকাশ পাইছে। কাৰণ ইয়াত প্রাচীন সমাজৰ দুটা ৰূপ প্রতিফলিত হৈছে। এখন ৰাজমাৰে বিচৰণ কৰি থকা এলান্ধুকলীয়া সমাজখন, য'ত উচ্চ মহলাই নির্ণয় কৰা ৰীতিসমূহৰ বাহিৰে দ্বিতীয় কোনো বিষয়ৰে অলপো মূল্য নাই। আনখন সমাজ কাঞ্চন আৰু অনঙ্গই কোৱা সমাজখন। ভুল শুধৰাবলৈ গৈ সুন্দৰে যেতিয়া নিজৰ জীৱনটোকে ওলোটাব বিচাৰিছে তেতিয়া কাঞ্চনে সমাজৰ কথা কৈছে। অনঙ্গৰামেও "পুৱাৰ পৰা গধূলিলৈ, জন্মৰপৰা মৃত্যুলৈকে আমাৰ সমাজৰ সৈতে সম্বন্ধ" বুলি কৈ সমাজৰ গুৰুত্ব প্রতিষ্ঠা কৰিব বিচাৰিছে। ৰাজমাওৰ সমাজখন উৰাই দিয়াটো বা গুৰুত্বহীন বুলি ভবাটো সহজ। কিন্তু

কাঞ্চন-অনঙ্গই যিটো আদর্শৰে সমাজৰ ধাৰণা দিব বিচাৰিছে সেইখন সমাজক অস্বীকাৰ কৰাটো সহজ কথা নহয়।

সুন্দৰৰ বন্ধুকেইজনৰ সৈতে তেওঁৰ ব্যক্তিত্বৰ প্রভেদ স্পষ্ট। অনঙ্গৰাম দুর্বল মনৰ। সমাজৰ বিৰোধিতা কৰাৰ সাহস তেওঁৰ নাই। কিন্তু হৃদয়ৰ স্বাভাৰিক আবেগৰ ক্ষেত্রত তেওঁ সুন্দৰৰ দৰে সঙ্কুচিত নহয়। সুদর্শনে সমাজৰ সৈতে খোজ মিলাই চলিব বিচাৰে। সমাজৰ বিৰুদ্ধে কোঁৱৰৰ দৰে তেওঁলোকৰ মন অশান্তিত নোভোগে। সুদর্শন ধীৰ, শান্ত, অনুভূতিশীল আৰু ভৱিষ্যত চিন্তা কৰিব পৰা ব্যক্তি। সুন্দৰে শেৰালিক লিগিৰী কৰিবলৈ যেতিয়া সঙ্কল্প লৈছে তেওঁ তাৰ ভয়াবহ পৰিণামৰ কথা কৈ সেই কার্য বন্ধ কৰিব বিচাৰিছে।

*কাৰেঙৰ লিগিৰী*ৰ নাৰী চৰিত্রকেইটাৰ যোগেদি হৃদয়াবেগৰ শক্তি আৰু মহিমাক স্বীকাৰ কৰা হৈছে। কাঞ্চনমতী সাহসী শক্তিশালী চৰিত্র। অভিজাত বংশৰ জীয়াৰী কাঞ্চন ধীৰ, মিত ভাষী আৰু দৃঢ়মনা। যিকোনো পৰিৱেশতে দূৰদর্শী বাস্তৱ চিন্তা কৰিব পৰা শক্তি তেওঁৰ আছে।তেওঁ হৃদয়ৰ আবেগক মূল্য দিয়ে। অনঙ্গৰ প্রতি তেওঁৰ অবিচল প্রেম আছে। কিন্তু সমাজৰ কল্যাণৰ বাবে তেওঁ নিজৰ হৃদয়ৰ দাবী আৰু আপোন স্বার্থ বিসর্জন দিছে। তাত্ত্বিক আদর্শৰে জীৱন নচলে বুলি তেওঁ উপলব্ধি কৰিব পাৰে। সেইবাবেই 'কিছুমান ভুল শুধৰাবলৈ গ'লে ধ্বংস হয়' বুলি তেওঁ সুন্দৰক ক'ব পাৰিছে। কাঞ্চনমতী ব্যক্তিনিষ্ঠ তাত্ত্বিক আদর্শৰে পৰিচালিত চৰিত্র নহয়। বাস্তৱ জীৱনৰ বৃহত্তৰ স্বার্থৰ বাবে সকলো ত্যাগ কৰিব পৰা চৰিত্রহে। সুন্দৰে দেহ আৰু মনৰ একাত্মতা আৰু বাসনা আৰু বাস্তৱৰ সহাৱস্থানত বিশ্বাস কৰে। কিন্তু কাঞ্চনৰ আদর্শ তেনে ধৰণৰ নহয়। কাঞ্চনে আধ্যাত্মিক শক্তিৰে শাৰীৰিক প্রাকৃতিক নিয়মৰ বাধা অতিক্রম কৰাতহে বিশ্বাসী।

নাটকখনৰ অন্যতম প্রধান চৰিত্র শেৰালি কাৰেঙৰ এজনী সাধাৰণ লিগিৰী। কাঞ্চনৰ দৰে ব্যক্তিত্ব, সাহস, বুদ্ধিমত্তা তাইৰ নাই। তাই আন লিগিৰীবোৰৰ খোচ মৰা কথাৰ উত্তৰ দিব পৰাকৈ মুখৰাও নহয়। সুন্দৰক আলপৈচান ধৰি, কোঁৱৰৰ সুখ-স্বাচ্ছন্দ্যৰ বাবে কাম কৰি তাইৰ মনটোৱে শান্তি পায়। শেৰালি কোমল মনৰ এজনী শান্ত ছোৱালী। কোনো প্রতিদানৰ আশাত তাই সুন্দৰক ভাল নাপায়। কিন্তু এই নিৰীহ ছোৱালীজনী ৰাজমাৱে প্রতিনিধিত্ব কৰা কঠোৰ সমাজখনৰ অত্যাচাৰৰ পৰা সাৰি যাব নোৱাৰিলে। তাইক তাইৰ পৰিচিত পৰিৱেশৰ পৰা দূৰলৈ ঠেলি পঠাইহে সমাজে শান্তি পাইছে। যি সুন্দৰে শেৰালিৰ ভালপোৱাক অৱজ্ঞা আৰু কঠোৰভাৱে ভৰ্ৎসনা কৰিছিল সেইজন কোঁৱৰৰে ভালৰ বাবে শেৰালিয়ে নিজে মৃত্যুক সাৱটি লৈছে। প্রতিদান নিবিচৰা শেৰালিৰ প্রেমৰ মূল্য ব্যক্তিগত আদর্শৰ বাহিৰে একোকে চিনি নোপোৱা সুন্দৰে তাইৰ মৃত্যুৰ পিছতহে উপলব্ধি কৰিছে। কাঞ্চনমতীৰ মৃত্যুত সুন্দৰ আচৰিত হৈছিল।মনত তাৰ একো চাপ বহা নাছিল। কিন্তু শেৰালিৰ মৃত্যুত কোঁৱৰক দুখ, অনুতাপ, আত্মগ্লানিয়ে হেঁচি

ধৰিছে। আত্মকেন্দ্রিক আদর্শবাদৰ কৰুণ পৰিণতি দেখি লগে লগে তেওঁ সেই সঙ্কীর্ণ চিন্তাৰ পৰা মুক্তি পাইছে।

১৪.৪.৪ *কাৰেঙৰ লিগিৰীৰ* অন্যান্য দিশ

জ্যোতিপ্রসাদৰ নাটক তেওঁৰ সুন্দৰ কাব্যিক প্রতিভাৰো প্রতিনিধি স্বৰূপ। নাটকসমূহত থকা আশ্চর্যকৰ কল্পনা আৰু সুন্দৰ কাব্যিকতাই মানুহক মুগ্ধ কৰে। ভাষাই মানুহৰ মন চুই যায়। তেওঁৰ বহুকেইটা গান, যেনে— 'মোৰে জীৱনৰে সখা কৃষ্ণ', 'বাৰিষাৰে ঘন ঘোৰ' আদিত অনুভৱ-উপলব্ধিৰ মন চুই যোৱা প্রকাশৰ ক্ষেত্রত তেওঁৰ ভাষা সফল। কিন্তু সেই ভাষাৰ ওপৰত তেওঁৰ মনৰ শাসন সকলো সময়তে নাথাকে। উদাহৰণ স্বৰূপে, 'যাউতিযুগীয়া ধনে মোৰ অ' গীতটোৰ 'স্মৃতিৰ ছবিখনি প্রণয় ফুটুকীয়া' বা 'ভাবত অগণনে হুমুনিয়া' আদি বাক্যাংশ দুর্বল, উজুটিখোৱা। সেইদৰে লক্ষ্মীনাথ বেজবৰুৱাৰ আর্হিত তেওঁ যেতিয়া কথ্য ভাষাৰ আধাৰত সংলাপ আৰু গান ৰচনা কৰে তাৰ ধ্বনিময় ব্যঞ্জনাই মানুহক মুগ্ধ কৰিব পাৰে। বপুৰাৰ সংলাপত অসমীয়া জতুৱা ভাষাই পাহাৰী নিজৰাৰ দৰে কলকলায়। প্রবচন-ফকৰাৰে সমৃদ্ধ বপুৰাৰ ভাষা অতি চহকী। কিন্তু সংস্কৃত শব্দ প্রয়োগৰ ক্ষেত্রত নাট্যকাৰ দুর্বল। জ্যোতিপ্রসাদৰ নাটকৰ ভালেমান সংলাপে মানুহক বহুপৰলৈ মোহাবিষ্ট কৰি ৰাখিব পাৰে। কিন্তু কিছুমান সংলাপ দুর্বল, নাটকীয় সৌন্দর্যৰ পৰিপন্থী। উদাহৰণ স্বৰূপে, চতুর্থ অঙ্কৰ দ্বিতীয় দর্শনৰ অনঙ্গৰামৰ দীঘল স্বগতোক্তিটো ভাবৰ ফালৰ পৰা সার্থক। তাত্ত্বিক ভাব এটাক সংলাপটোৱে নাটকখনত তুলি ধৰিছে। কিন্তু নাটকৰ সংলাপ হিচাপে সি খহটা, আমনিলগা। একেটা দোষ নাটকখনৰ শেষত থকা সুন্দৰৰ সংলাপতো কিছু বিৰাজমান। অথচ তেনে ধৰণৰ তাত্ত্বিক ভাবকে কোনো সময়ত নাটকখনত অতি সার্থক সংলাপৰ জৰিয়তে তেওঁ মর্মস্পর্শী ৰূপত প্রকাশ কৰিবলৈ সমর্থ হৈছে। দার্শনিক তাত্ত্বিক ভাবকো নাটকৰ সাধাৰণ সংলাপৰ জৰিয়তে সুন্দৰ মনোমোহা ৰূপত প্রকাশৰ এটা নিদর্শন হ'ল—

"নগা ল'ৰা ঃ ক চোন বাৰু মোৰ চাৰাপেন ক'লৈ গ'ল?

অনঙ্গ ঃ তোৰ চাৰাপেন গছৰ কুমলীয়া পাত হ'ল, ৰঙা ফুল হ'ল, হালধীয়া চৰাই হ'ল, জুৰিৰ পানী হ'ল, বৰষুণৰ টোপাল হ'ল।

নগা ল'ৰা (তন্ময় হৈ শুনি) ঃ আৰু কি হ'ল?

অনঙ্গ ঃ ধুনীয়া পখিলা হ'ল, পুৱাৰ বতাহ হ'ল, বেলিৰ পোহৰ হ'ল, জোনৰ হাঁহি হ'ল, নীলা আকাশ হ'ল।"

তেনেই সাধাৰণ কথা-বতৰাৰে জ্যোতিপ্রসাদে সংলাপৰ সৌন্দর্যত কোনো আঁচোৰ নলগাকৈ তাত্ত্বিক ভাব এটাক ইয়াত তুলি ধৰিবলৈ সমর্থ হৈছে।



জানি থোৱা ভাল

- জ্যোতিপ্রসাদৰ চিন্তাত গঢ় লোৱা নতুন মন, নতুন সমাজ গঢ়াৰ আদর্শতে তেওঁ ৰচনা কৰিলে *কাৰেঙৰ লিগিৰী*। তেওঁ সমাজলৈ অহা পৰিৱর্তনৰ পুতলা নহ'ল। তাৰ পৰিৱর্তে *কাৰেঙৰ লিগিৰীত* তেওঁ দেখুৱালে পৰিৱর্তনৰ ভৱিষ্যৎ সম্ভাৱনা, বিৰোধ, বিপত্তি আদি।
- *কাৰেঙৰ লিগিৰী*নাটকত ব্যক্তিগত আদর্শবাদৰ চৰম প্রকাশ ঘটিছে। এই আদর্শবাদ ৰোমাণ্টিক বিপ্লৱৰ আধাৰত গঢ় লোৱা। ইয়াক নাটকখনত আগুৱাই নিয়া ব্যক্তিজন হ'ল সুন্দৰ কোঁৱৰ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ঃ ৰোমাণ্টিক বিপ্লৱী হিচাপে সুন্দৰ কোঁৱৰৰ চৰিত্রৰ এক বিশ্লেষণ আগবঢ়াওক। (১৫০টা শব্দৰ ভিতৰত)

প্রশ্ন নং ৩ঃ হীৰেন গোহাঁইৰ প্রবন্ধটোৰ আধাৰত জ্যোতিপ্রসাদৰ *কাৰেঙৰ লিগিৰী* নাটকৰ বিষয়ে এটা সমালোচনা যুগুত কৰক। (১৫০টা শব্দৰ ভিতৰত)

১৪.৫ হীৰেন গোহাঁইৰ গদ্যৰীতি

হীৰেন গোহাঁইৰ গদ্যসাহিত্য ঘাইকৈ তিনিটা ধাৰাত গঢ় লৈছে।

প্রথম— সমাজবিজ্ঞানৰ বিভিন্ন তাত্ত্বিক আৰু প্রায়োগিক দিশৰ আলোচনা।

দ্বিতীয়— সাহিত্য সমালোচনা

তৃতীয়— আত্মজীৱনী, ভ্রমণ সাহিত্য আদি ব্যক্তিনিষ্ঠ সাহিত্য।

তেওঁৰ প্রবন্ধ গদ্য মূলতঃ চিন্তামূলক।আনহাতে, ভ্রমণ কাহিনী, আত্মজীৱনীমূলক ৰচনা আদিৰ মাজেৰে বর্ণনাত্মক ৰসাল গদ্যই গঢ় লৈছে। কিন্তু তেওঁৰ সকলো গদ্যৰ মাজতেই লিখকজনৰ ব্যক্তিত্বৰ প্রভাৱ স্পষ্ট। মৌলিক চিন্তা, জ্ঞান, গভীৰ অধ্যয়ন আৰু ব্যক্তিগত জীৱনৰ অভিজ্ঞতা এই কেউটাৰ প্রভাৱতে তেওঁৰ গদ্যত মৌলিক বৈশিষ্ট্য গঢ় লৈছে। হীৰেন গোহাঁইৰ গদ্যৰ শব্দ, বাক্য, প্রকাশভঙ্গী আদিৰ ক্ষেত্রত দেখা পোৱা বৈশিষ্ট্যসমূহ এনে ধৰণৰ—

- **শব্দৰীতি ঃ** হীৰেন গোহাঁইৰ গদ্যত নিভাজ অসমীয়া জতুৱা শব্দৰ যথেষ্ট প্রয়োগ দেখা যায়। ব্যক্তিনিষ্ঠ ৰচনাসমূহৰ উপৰিও চিন্তামূলক প্রবন্ধতো সার্থকভাৱে এনে শব্দ ব্যৱহাৰ কৰিছে। যেনে— খাপৰি ওলোৱা, লেখীয়া, প্রাণশতৰু, নোমটেঙৰ, সলিশিয়ান, ভু নৰখা, ঘঁটীয়া ছাত্র, জেঙা মৰা, অজীণপাতকী আদি।বিশেষকৈ জতুৱা বিশেষণৰ প্রয়োগ তেওঁৰ গদ্যত প্রচুৰ। তদুপৰি অসমীয়া কথিত ৰূপৰ শব্দৰ কেতবোৰ ব্যৱহাৰো তেওঁৰ গদ্যত অতি আকর্ষণীয়। যেনে—

"আইহঁতৰ তথা মহিলাসকলৰ মাজত পৰম্পৰাগত বনৌষধিৰ চুৰ্চুৰিয়া চৰ্চা আছিল।"

অসমীয়া লোকভাষাত ব্যৱহাৰ কৰা 'চুৰ্চুৰিয়া'ৰ দৰে শব্দ তেওঁৰ ৰচনাত অনেক পোৱা যায়। আনকি তেওঁ আত্মজীৱনীত বিদেশী ব্যক্তিৰ মুখৰ বিদেশী ভাষাৰ সংলাপো অসমীয়াত প্রকাশ কৰোঁতে আকর্ষণীয়ভাৱে কথিত ৰূপৰ শব্দ ব্যৱহাৰ কৰিছে।যেনে—

মৌলৈ চাই টিউটৰজনে ক'লে ঃ "ল'ৰাজন যদি খাটি ধাতুৰ মানুহ হয়, তেনেহ'লে আকৌ আহিব। নহ'লে ভাগাৰাম দিব"

লেণ্ডলেডীয়ে কিন্তু প্রথম দর্শনতে কৈছিল— "সেইজনী বৰ ঘঁটীয়া, স্বার্থপৰ ছোৱালী। তাইক পাত্তা নিদিবা।" তদুপৰি তেওঁৰ ৰচনাত 'নাউমান' আদি উপভাষাৰ শব্দৰো প্রয়োগ পোৱা যায়।

হীৰেন গোহাঁয়ে শব্দ ব্যৱহাৰৰ ক্ষেত্রত মুক্ত ৰীতি অনুসৰণ কৰে। সেয়েহে জতুৱা শব্দৰ প্রতি তেওঁ বিশেষ আকর্ষণ থাকিলেও ইংৰাজী শব্দৰো প্রচুৰ মুকলি প্রয়োগ পৰিলক্ষিত হয়। যি ধৰণৰ শব্দৰে ক'লে বিষয়টো স্পষ্ট হয় তেনে শব্দকেই তেওঁ গ্রহণ কৰে। যেনে—

"সি নিষ্কর্মা আধুনিক ৰোমাণ্টিকৰ 'ফেশ্যনেবল' বিবাদ নহয়।"

"সুদর্শন সম্পূর্ণ এড্জাষ্টমেণ্টৰ ভক্ত।"

বহুসময়ত ইংৰাজী শব্দবোৰ তেওঁ এনেদৰে অসমীয়া আখৰেৰেই লিখাত সন্নিৱিষ্ট কৰিছে। অনেক ক্ষেত্রত আকৌ ইংৰাজী আৰু অসমীয়া দুয়োটা ৰূপকে উল্লেখ কৰে যাতে বিষয় উপলব্ধিত অসুবিধা নহয়। যেনে— মেই উইক (May Week), কর্ণাৰ্ শ্বপ্ (Corner Shop), ব'ট্ ক্লাব (Boat Club)।

কেতিয়াবা আকৌ শব্দৰ ইংৰাজী ৰূপটোৰ সৈতে তাৰ অসমীয়া অর্থও লগতে উল্লেখ কৰে। আনকি নিজে সাজি লৈয়ো কেতিয়াবা ইংৰাজী শব্দৰ অর্থ ব্যৱহাৰ কৰে। হীৰেন গোহাঁইৰ গদ্যত প্রচুৰভাৱে দেখা পোৱা ইংৰাজী শব্দ ব্যৱহাৰৰ এনেবোৰ নিদর্শন হৈছে— ভাষাতাত্ত্বিক দর্শনতত্ত্ব (Linguistic Philosophy), বৈদেশিক সাহায্য (Foreign Aid), প্রত্যাহ্বান (Challenge), প্রেক্টিকেল জ'ক বা ৰগৰ, পেন্ কে'ক্ ছ'চাইটি (খোলাচপৰীয়া পিঠা-প্রেমীৰ সমাজ)।

মুকলিভাৱে শব্দ ব্যৱহাৰ কৰা গোহাঁইৰ ৰচনাত হাৱা, নাৰাজ, মতলব, জবৰদস্ত আদি হিন্দী শব্দৰ প্রয়োগো লক্ষণীয়।

যুক্তাক্ষৰযুক্ত কঠিন শব্দৰ প্রাচুর্য তেওঁৰ শব্দৰীতিৰ এক বৈশিষ্ট্য। সাধাৰণতে কঠিন শব্দবোৰ তেওঁ একেলগে ব্যৱহাৰ কৰাৰ এক প্রৱণতা আছে। যেনে—

"ৰোমাণ্টিক বিপ্লৱবাদৰ এই আত্মদ্বন্দ্ব আৰু অন্ধতা যেন কোঁৱৰৰ জীৱন-কাহিনীত জাজ্বল্যমান।"

"মানৱমনৰ সূক্ষ্ম আৰু নিৰাসক্ত পর্যবেক্ষণ অবিহনে সাহিত্যকৃতি ক্ষণস্থায়ী হ'বলৈ বাধ্য।"

"লেখকৰ দৃষ্টিশক্তি আৰু বিচাৰ অক্ষুণ্ণ ৰাখিও ই বিষয়বস্তুৰ বিস্তাৰক এক নৈৰ্ব্যক্তিক ৰূপ দিয়ে।"

গোহাঁইৰ গদ্যত শব্দ ব্যৱহাৰত কেতিয়াবা দুই-এক দোষ-দুর্বলতা পৰিলক্ষিত হয়। যেনে—

"হাস্যৰসৰ যোগালি বাবে বপুৰাৰ চৰিত্রত বিকৃতি বা অতিৰঞ্জন প্রত্যাশা কৰা যায়।"

"বপুৰাই ভেঙুচালি আৰু বহুৰালিৰ সহায়েৰে ৰাইজৰ কটাক্ষ ওফৰাবলৈ প্রয়াস পায়।"

ইয়াত 'প্রত্যাশা' আৰু 'প্রয়াস পায়' ব্যৱহাৰ সঠিক নহয়। সেইদৰে তেওঁৰ ৰচনাত থকা স্পষ্টতা, প্রফুল্লতা আদি শব্দৰ প্রয়োগো শুদ্ধ নহয়। তদুপৰি আত্মজীৱনীতেই হওক বা প্রবন্ধতেই হওক তেওঁ 'আগতেই কৈছোঁ' বুলি পূর্বৰ প্রসঙ্গৰ কথা কোৱা ৰীতি ভালেমান ব্যৱহাৰ কৰাটো গদ্যৰ বাবে আদৰণীয় নহয়।

- **বাক্যৰীতি ঃ** হীৰেন গোহাঁইৰ গদ্য বিভিন্ন ৰীতিৰ বাক্যৰ ব্যৱহাৰেৰে সমৃদ্ধ। জতুৱা ঠাঁচৰ বাক্য, অসমীয়া কথিত ৰূপৰ বাক্য আদিৰ প্রয়োগ তেওঁৰ গদ্যত অনেক দেখা যায়। যেনে—

"অমুকৰ ল'ৰা হীৰাৰ টুকুৰা হেন, বৰ ভালকৈ পাছ কৰিছে। তমুকৰ ছোৱালী দেছুৱালীৰ লগত পলাই গ'ল। সেই ঘৰৰ ফুটনি বৰ বেছি আৰু ভচুকৰ ঘৰৰ ধর্ম-কর্মত বৰ মতি।"

"কেতিয়াবা থ্রাছ্ আদি চৰাই সমুখত জপিয়াই পৰে বা ভুৰুং কৰে উৰি যায় আৰু মোৰ কলিজা ধক্‌কৈ উঠে।"

নিভাঁজ অসমীয়া জনজীৱনৰ সৈতে থকা একাত্মতাৰ বাবেই অসমীয়া জতুৱা ভাষাৰ প্রয়োগত তেওঁ অতি দক্ষ আৰু এই ভাষাটোৰ প্রতি তেওঁৰ আকর্ষণো বেছি।এই সহজাত আকর্ষণ আৰু অভ্যাসৰবাবেই তেওঁ জতুৱা খণ্ডবাক্য,প্রবচন আদি সন্নিৱেশ কৰি যথেষ্ট বাক্য ৰচনা কৰা দেখা যায়। যেনে—

"বেচেৰা ছাত্রজনৰ প্রায় 'ফাঁট দিয়া বসুমতী, পাতালে লুকাওঁ' অৱস্থা কৰি দিলে।"

"কোনো কোনোৱে 'ম'হৰ শিঙত কঁকিলাৰ দাঁড়' বুলি মই শুনাকৈ উপলুঙাও কৰিলে।"

"নগা-নাগিনীৰ ছবিৰে ৰোমাণ্টিক বিপ্লৱবাদে ইতিহাসক, সংসাৰ জঁটক বুঢ়া আঙুলি দেখুৱায়।"

"দিনৰ বেলা মাটিৰ মানুহ।"

জতুৱা বাক্যৰ বহুল ব্যৱহাৰ থাকিলেও হীৰেন গোহাঁইৰ বাক্যত ইংৰাজী বাক্যৰীতিৰ ঠাঁচো যথেষ্ট ভাবে দেখা যায়। অসমীয়া বাক্যৰীতিৰ পৰিৱর্তে ক্রিয়া মাজত বা আগত ব্যৱহাৰ কৰি তেওঁ অনেক সময়তে বাক্য ৰচনা কৰিছে। যেনে—

"আমাৰ ঘৰতো ওচৰ-চুবুৰীয়াৰ সুকীর্ত্তি-কুকীর্ত্তিৰ আলোচনা হৈছিল সঘনে।"

"বন্ধ হৈ গৈছিল ৰাতিপুৱাই কিৰিলি পাৰি তলসৰা শেৱালি-বকুল ফুল তুলিবলৈ জাকে জাকে ওলোৱা শিশুৰ অভিযান।"

হীৰেন গোহাঁইৰ স্বকীয় চিন্তাপ্রসূত কিছুমান বাক্য সাৰগর্ভ অথচ সৰল আৰু মোহনীয়। তেওঁৰ গদ্যৰ মূল্যবান সম্পদ স্বৰূপ এইবোৰ বাক্য লিখকৰ গভীৰ অন্বেষণ আৰু বিশ্লেষণী শক্তিৰ আধাৰত সৃষ্টি হোৱা। যেনে—

"বপুৰাৰ কথাৰ ভঙ্গীত অসমীয়া কথ্য ভাষাৰ সাৱলীলতাই পাহাৰী নিজৰাৰ দৰে কলকলায়।"

কিন্তু তেওঁৰ গদ্যত জটিল বাক্যৰ ব্যৱহাৰ যথেষ্ট বেছি। কেতিয়াবা এনেবোৰ বাক্যৰ ভাব উপলব্ধিত পাঠকৰ কোনো অসুবিধা নহয়। কিন্তু কিছুমান এনে জটিল বাক্যৰ ক্ষেত্রত পাঠকে উজুটি খাইছে।

সুন্দৰ প্রশ্নবাক্যৰ ব্যৱহাৰ তেওঁৰ গদ্যৰ এটা সবল দিশ। সাধাৰণ বর্ণনাত্মক বাক্যৰ পৰিৱর্তে এনেবোৰ ক্ষেত্রত প্রশ্নবাক্যৰ প্রয়োগে বিষয়বস্তুক অধিক সার্থকভাৱে উপস্থাপন কৰিছে। যেনে—

"বেজবৰুৱাই তাহানি খেদ কৰাৰ অতকাল পিছতো আমি প্রাণ খুলি হাঁহিব পৰা হৈছোঁনে? ইজনে সিজনৰ সৃষ্টিৰ আনন্দত তৃপ্তি পাব পৰা হৈছোঁনে? কিঞ্চিৎ হ'লেও সিদ্ধি লাভ কৰি উঠি আনৰ বিফলতা আৰু দুর্যোগৰ প্রতি কিছু মানৱীয় সহানুভূতিৰে চকু দিব পৰা হৈছোঁনে?"

হীৰেন গোহাঁইৰ গদ্যত অনেক সময়তে বাক্যৰ সচেতন প্রয়োগৰ বাবে এক সুন্দৰ লয় সৃষ্টি হোৱা দেখা গৈছে। যেনে—

"পৰিৱর্তনৰ গতিবেগ বর্ধিত হোৱা যুগতো জ্যোতিপ্রসাদে কেৱল মানস-সুন্দৰীৰ ধ্যানত নবহি সমাজৰ তথা মানৱ-মনৰ পুনর্নির্মাণৰ সপোন দেখিলে। জাতীয় জাগৰণৰ বিভিন্ন স্তৰত সক্রিয় অংশ গ্রহণ কৰি তেওঁ এই নতুন যুগৰ প্রস্তুতিত অৰিহণা যোগালে। সেয়ে নহয়, সেই সমাগত যুগৰ মূলমন্ত্রসমূহ কেৱল শ্লোগান হিচাপে ব্যৱহাৰ নকৰি সেইবোৰত অভিজ্ঞতা আৰু অন্বেষণৰ পোহৰ পেলালে।"

- **অনুচ্ছেদ আৰু অলঙ্কাৰ ঃ** হীৰেন গোহাঁইৰ সমালোচনাৰ গদ্যত অলঙ্কাৰৰ প্রয়োগ আছে যদিও ইয়াক সম্পূর্ণ আলঙ্কাৰিক গদ্য আখ্যা দিব নোৱাৰি। কিন্তু ব্যক্তিনিষ্ঠ ৰচনাসমূহত অনেক সময়তে আলঙ্কাৰিক গদ্যই যথেষ্টভাৱে বিকাশ লাভ কৰিছে। এটা উদাহৰণ দাঙি ধৰা হ'ল—

"মনৰ গোপন কোঠালিত মূল্যৱান ৰত্নৰ দৰে সাঁচি থৈছোঁ ল'ৰালিৰ সেই মুকলি-মূৰীয়া, ৰঙিয়াল, সজীৱ দিনবোৰৰ মোহলগা ছবিবোৰ। কেতিয়াবা হঠাতে কোঠাৰ দুৱাৰ মেল খাই যায়, স্বপ্নাৱিষ্টৰ দৰে কোঠাটোত সোমাই যাওঁ, আৰু বহুপৰ জলকা লগাৰ দৰে সেই কোঠাটোত সোমাই থাকোঁ।"

এনে সামগ্রিক আলঙ্কাৰিক ৰীতিৰ বাহিৰেও কিন্তু তেওঁ গদ্যত ঠাই বিশেষে কাব্যিক ভাষা আৰু অলঙ্কাৰৰ সার্থক ব্যৱহাৰ কৰিছে। বিশেষকৈ মৌলিক দৃষ্টিভঙ্গীৰে প্রয়োগ কৰা উপমা তেওঁৰ সাহিত্যত ভালেমান পোৱা যায়। তদুপৰি অনুপ্রাসৰ সুন্দৰ ব্যৱহাৰো তেওঁৰ গদ্যত দেখা যায়। গোহাঁইৰ গদ্যত ব্যৱহৃত বিভিন্ন অলংকাৰৰ দুটামান উদাহৰণ উল্লেখ কৰা হ'ল—

উপমা— "গোলাঘাটৰ পৰা গুৱাহাটীলৈ আহি মই যেন শান্ত জান জুৰিৰ দৰিকণা মাছ আহি টোৰে খলক লগাই থকা বাৰিষাৰ বৰলুইতত পৰিলোঁহি।"

উৎপ্রেক্ষা— "গোলাঘাটৰ স্মৃতিবোৰ এতিয়াও সপোনৰ দৰে লাগে।যেন ৰ'দালি আৰু কুঁৱলিয়ে আলফুলকৈ সাৱটি ৰখা দূৰৰ এখন পর্বতীয়া গাঁও।"

ব্যাজস্তুতি— "এই পুণ্যফেৰাৰ ফলতে বোধহয় 'ক' মানৰ পৰা 'খ' মানলৈ মই উধাব নোৱাৰি ঘৰত প্রচুৰ দাবি-ধমকি-ইতিকিঙৰ সন্মুখীন হৈছিলোঁ।"

অপ্রস্তুত প্রশংসা— "উৎসাহৰ বেলুনটো ফুটাই দিলো।"

প্রকাশভঙ্গী— হীৰেন গোহাঁইৰ চিন্তামূলক গদ্যৰচনাসমূহত প্রকাশভঙ্গীৰ অধিক চাতুর্যৰ সুযোগ নাই। এইসমূহত তেওঁ বিষয়বস্তু পোনে পোনে তুলি ধৰিছে যদিও ঠাই বিশেষে তাতো গদ্যই আকর্ষণীয় ৰূপ পৰিগ্রহ কৰিছে। কিন্তু তেওঁৰ আত্মজীৱনীৰ প্রকাশভঙ্গী বৈচিত্র্যপূর্ণ, সৰস আৰু মনোৰম। প্রাকৃতিক পৰিৱেশ, বিভিন্ন পৰিস্থিতি, ঘটনা আদিক তেওঁ প্রভাৱশালী আৰু পাঠকৰ মনোগ্রাহীকৈ উপস্থাপন কৰে। অনেক সময়তে গোহাঁইৰ প্রকাশভঙ্গীত বেজবৰুৱাৰ গদ্যৰ দৰে ব্যঙ্গাত্মক তীর্যক ৰীতিয়ে গঢ় লোৱা দেখা গৈছে। যেনে—

"মই নিশ্চিত হ'লোঁ যে মোৰ সেই মহামূল্যৱান সম্পদ 'জাত' কোনোবা টলকত মোৰ দেহা এৰি বতাহত মিলি গ'ল। কথাটো ঘৰে-পৰে কোনোবাই গম পালে মোৰ কি দশা হ'ব ভাবি মোৰ অণ্ঠে-কণ্ঠে শুকাই গ'ল।"

"সোমৰসৰ সেৱকসকলে হয় ঘৰতে মনে-মনে সোমৰসৰ মাহাত্ম্য প্রত্যক্ষ কৰিছিল, নহ'লে আন কোনো ভিতৰপকীয়া বন্ধুবান্ধৱৰ ঘৰতে তিনি-চাৰিজন মিলি তালৈ পূজা এভাগ আগবঢ়াইছিল।"

হীৰেন গোহাঁইৰ ৰচনাৰ এনে ভঙ্গীত বেজবৰুৱাৰ গদ্যৰ স্পষ্ট প্রভাৱ অনুভূত হয়।

অসমীয়া গদ্যৰ ইতিহাসত হীৰেন গোহাঁইৰ চিন্তাৰ গদ্য আৰু সৃষ্টিশীল গদ্য দুয়োটাই নিজস্ব স্থান আৰু মূল্যৰ অধিকাৰী।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ হীৰেন গোহাঁইৰ গদ্যৰ বৈশিষ্ট্যসমূহৰ বিষয়ে এটা প্রবন্ধ লিখক। (১৫০টা শব্দৰ ভিতৰত)



১৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- হীৰেন গোহাঁইৰ জীৱন আৰু সাহিত্য কৃতিৰ বিষয়ে আলোচনা কৰা হ'ল।
- হীৰেন গোহাঁইৰ সমালোচনাৰ প্রকৃতি কেনে ধৰণৰ সেই দিশৰ ওপৰতো আলোকপাত কৰা হ'ল।
- জ্যোতিপ্রসাদ আগৰৱালাৰ *কাৰেঙৰ লিগিৰী* নাটকৰ সূক্ষ্ম, বস্তুনিষ্ঠ বিশ্লেষণ অধ্যায়টোত কৰা হ'ল।
- হীৰেন গোহাঁইৰ গদ্যৰ শব্দ, বাক্য আদি ব্যৱহাৰৰ বৈশিষ্ট্যসমূহৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰা হ'ল।



১৪.৭ অধিক জানিবলৈ

১) গগৈ, অখিল (সম্পা.) (২০০০) ঃ *ড° হীৰেন গোহাঁই*, গুৱাহাটী ঃ মঞ্জুৰী তামুলী।

২) দাস, শোণিত বিজয় আৰু বায়ন, মুনীন (সম্পা.) (২০০৯) ঃ হীৰেন গোহাঁই ৰচনাৱলী (প্রথম খণ্ড); গুৱাহাটী ঃ কথা প্রকাশন।



১৪.৮ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ হীৰেন গোহাঁইৰ সাহিত্যসম্ভাৰৰ আভাস দিব... ...সমাজৰ আধাৰতহে তেওঁৰ সমালোচনা... ...মানৱীয় দৃষ্টিভঙ্গী, মার্ক্সবাদ আদিৰ বিষয়ে উল্লেখ কৰিব।

২নং প্রশ্নৰ উত্তৰ ঃ সুন্দৰ কোঁৱৰৰ চৰিত্রৰ যিসমূহ বৈশিষ্ট্যই তেওঁক ৰোমাণ্টিক বিপ্লৱী হিচাপে প্রতিষ্ঠা কৰিছে সেইসমূহৰ বিষয়ে উল্লেখ কৰিব লাগিব। যেনে— বাস্তৱ জ্ঞানহীন তাত্ত্বিক আদর্শৰে পৰিচালিত হৈ কৰা অদূৰদর্শী কার্য, প্রাচীন সমাজৰ পৰিৱর্তন বিচাৰি সমাজৰ নিয়মতে বন্দী, ব্যক্তিগত জীৱনৰ বাহিৰে সমাজৰ আন একো দিশৰে পৰিৱর্তনৰ চিন্তা নাই, আত্মকেন্দ্রিক স্বভাৱ ইত্যাদি।

৩নং প্রশ্নৰ উত্তৰ ঃ জ্যোতিপ্রসাদৰ *কাৰেঙৰ লিগিৰীত* ইতিহাস আৰু কল্পনাৰ মিশ্রণ কেনেদৰে কৰিছে সেয়া লিখিব লাগিব... ...ৰোমাণ্টিক বিপ্লৱবাদৰ প্রকাশৰ বিষয়ে লিখিব... ...চৰিত্রসমূহৰ বিশ্লেষণ... ...ভাষা, সংলাপ, গানৰ সবল আৰু দুর্বল দিশৰ আভাস।

৪নং প্রশ্নৰ উত্তৰ ঃ হীৰেন গোহাঁইৰ শব্দ, বাক্য প্রকাশ কৌশলৰ বৈশিষ্ট্যসমূহ আলোচনা কৰিব লাগিব।



১৪.৯ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ হীৰেন গোহাঁইৰ 'জীৱন আৰু কৃতি'ৰ বিষয়ে এটা আলোচনা যুগুত কৰক।

প্রশ্ন ২ ঃ 'হীৰেন গোহাঁইৰ সাহিত্য-চর্চা' শীর্ষক এটা প্রবন্ধ লিখক।

প্রশ্ন ৩ ঃ *সাহিত্যৰ সত্যৰ* এটা পৰিচয় আগবঢ়াওক।

প্রশ্ন ৪ ঃ হীৰেন গোহাঁইৰ সমালোচনাৰ স্বৰূপ কেনে ধৰণৰ বিশ্লেষণ কৰক।

প্রশ্ন ৫ ঃ জ্যোতিপ্রসাদৰ *কাৰেঙৰ লিগিৰী* নাটকৰ প্রধান চৰিত্রকেইটাৰ বিষয়ে এটা প্রবন্ধ লিখক।

প্রশ্ন ৬ ঃ জ্যোতিপ্রসাদৰ *কাৰেঙৰ লিগিৰী* নাটকৰ মুখ্য চৰিত্র সুন্দৰ কোঁৱৰৰ ব্যক্তিনিষ্ঠ আদর্শবাদ সম্পর্কে এটা আলোচনা দাঙি ধৰক।

প্রশ্ন ৭ ঃ *কাৰেঙৰ লিগিৰী* নাটকৰ ভাষা আৰু সংলাপৰ বিষয়ে এটা টোকা লিখক।

প্রশ্ন ৮ ঃ জ্যোতিপ্রসাদৰ *কাৰেঙৰ লিগিৰী* নাটকত আদর্শৰ সংঘাত নাট্যকাৰে কেনেদৰে ৰূপায়ণ কৰিছে আলোচনা কৰক।

প্রশ্ন ৯ ঃ জ্যোতিপ্রসাদৰ *কাৰেঙৰ লিগিৰী* নাটকত ৰোমাণ্টিক বিপ্লৱবাদৰ প্রকাশ কেনেদৰে ঘটিছে আলোচনা কৰক।

প্রশ্ন ১০ ঃ হীৰেন গোহাঁইৰ গদ্যৰীতিৰ বিষয়ে বহলাই আলোচনা কৰক।

প্রশ্ন ১১ ঃ *কাৰেঙৰ লিগিৰীত* ঐতিহ্য আৰু আধুনিক চিন্তাৰ সংঘাত কেনেদৰে ঘটিছে আলোচনা কৰক।

*** **** ***